সংবাদ সেৱাৰে, দেশৰ সেৱাত ৩২ বছৰৰ এক অবিৰত যাত্ৰা...
গুৱাহাটীৰ পৰা প্ৰকাশিত নিৰ্ভীক সাপ্তাহিক

# ৰঙিলী বাৰ্ত্তা

Govt. of Assam Approved
Postal Redg. No. GH- 098/2012-17
৩২ বছৰ, ১৬ সংখ্যা, ৫ ব'হাগ, ৰবিবাৰ,১৪৩২ ভাস্কৰাব্দ, পঞ্জীয়ন নং- ৫৩৮৮৩/ ১৯৯৪
RNI No.53883/94. GHY- 781025. Vol. 32: Issue No. 16 Date of Publication- 19 April 2026 Rs. 10.00/-

## এটা সৎ চেষ্টাৰ ভ্ৰূণ হত্যা কৰিলে কংগ্ৰেছ-ডিএমকে-তৃণমূলেঃ প্ৰধানমন্ত্ৰী মোদী



ৰঙিলী বাৰ্ত্তাসেৱা- লোক সভাত মহিলা সংৰক্ষণ বিধেয়কৰ সন্দৰ্ভৰ বিধেয়কসমূহ গৃহীত কৰাত বিফল হোৱাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দেশবাসীৰ ওচৰত দুখ প্ৰকাশ কৰিছে। প্ৰধানমন্ত্ৰী মোদীয়ে মহিলাসকলৰ বাবে শতাংশ আসন সংৰক্ষণ সম্পৰ্কীয় সংবিধান সংশোধনী বিধেয়কখন গৃহীত কৰিব নোৱাৰা বাবে শনিবাৰে দেশৰ সকলো মাতৃ, ভগ্নী, কন্যাৰ ওচৰত ক্ষমা বিচাৰে আৰু 'স্বাৰ্থপৰ ৰাজনীতি'ৰ বাবে ভাৰতৰ মহিলাসকলৰ সবলীকৰণৰ যুঁজত বাধাৰ সৃষ্টি কৰিছে বুলি বিৰোধী দলক সমালোচনা কৰে। পূৰ্বে ঘোষণা কৰা মতে, শনিবাৰে নিশা ৮.৩০ বজাত ৰাষ্ট্ৰক উদ্দেশ্যি ভাষণ দিয়ে প্ৰধানমন্ত্ৰী মোদীয়ে। ভাষণ প্ৰসংগত তেওঁ মহিলাসকলৰ সংৰক্ষণ সম্পৰ্কীয় সংবিধান সংশোধনী বিধেয়কখন লোকসভাত গৃহীত কৰিব নোৱাৰাৰ বাবে কংগ্ৰেছসহ বিৰোধী দলসমূহক দোষাৰোপ কৰি তেওঁ কয়,'নাৰীৰ স্বপ্ন চূৰ্ণ-বিচূৰ্ণ কৰিলে বিৰোধীয়ে।' এইক্ষেত্ৰত কংগ্ৰেছৰ লগতে ডিএমকে, সমাজবাদী পাৰ্টী, তৃণমূল কংগ্ৰেছৰ নাম তেওঁ উল্লেখ কৰে। মহিলা সংৰক্ষণ বিধেয়ক গৃহীত নোহোৱাত কংগ্ৰেছে উল্লাসেৰে হাত চাপৰি বজায় বুলি অভিযোগ কৰে প্ৰধানমন্ত্ৰীয়ে। কংগ্ৰেছ, তৃণমূল, ডিএমকেৰ দৰে বিৰোধী দলসমূহক 'নাৰীশক্তিবিৰোধী' বুলি আখ্যা দিয়ে প্ৰধানমন্ত্ৰী মোদীয়ে। মহিলা সংৰক্ষণ বিধেয়ক লোকসভাত গৃহীত কৰিব নোৱাৰাৰ সৈতে ভ্ৰূণ হত্যাৰ লগত তুলনা কৰে মোদীয়ে। তেওঁৰ মতে, বিধেয়কখন গৃহীত কৰিবলৈ নিদি কংগ্ৰেছ, তৃণমূল, ডিএমকে, এছপিৰ দৰে দলসমূহে ভ্ৰূণ হত্যা কৰিলে। মোদীয়ে কয়, 'এটা সৎ চেষ্টাৰ ভ্ৰূণ (দহ পৃষ্ঠাত চাওক)

## পশ্চিমবংগৰ পৰা বাংলাদেশী অনুপ্ৰৱেশকাৰীক খেদি পঠিয়ামঃ মুখ্যমন্ত্ৰী ড° শৰ্মা




ৰঙিলী বাৰ্ত্তাসেৱা- ২৩ আৰু ২৯ এপ্ৰিলত অনুষ্ঠিত হ'ব লগা পশ্চিম বংগ বিধানসভা নিৰ্বাচনৰ প্ৰচাৰ তীব্ৰতৰ হৈ পৰিছে । পশ্চিমবংগৰ বিধানসভা নিৰ্বাচনৰ দিন চমু-চাপি অহাৰ সময়তে আকৰ্ষণীয় হৈ পৰিছে ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান। এনে ৰাজনৈতিক পৰিৱেশৰ মাজতে চুবুৰীয়া ৰাজ্যখনৰ কালিম্পং, দিনহাটা আৰু সীতাই বিধানসভা সমষ্টিত তিনিখনকৈ বিশাল নিৰ্বাচনী সভাত মমতা বেনাৰ্জীৰ বিৰুদ্ধে সৰৱ হৈ পৰিল মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা। বাংলাদেশীৰ ৰক্ষক বুলি পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীৰ বিৰুদ্ধে প্ৰত্যক্ষ অভিযোগ তুলি দাৰ্জিলিঙৰ কালিম্পঙত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়- পশ্চিমবংগত এতিয়া বাংলাদেশীপ্ৰীতি দেখুৱাই মমতা বেনাৰ্জীৰ নীতি হৈছে আপোনালোক পশ্চিমবংগলৈ আহক, মই বাধা ( চাৰিপৃষ্ঠাত চাওক)

## গুৱাহাটীৰ সংগীতা ৰাভাৰ শিৰত বিহু সম্ৰাজ্ঞীৰ মুকুট



ৰঙিলী বাৰ্ত্তাসেৱা- ৰাজ্যৰ অন্যতম ঐতিহ্যমণ্ডিত ৭৫ সংখ্যক গুৱাহাটী বিহু সন্মিলনীৰ ২০২৬ বৰ্ষৰ ফলাফলসমূহ ঘোষণা কৰা হৈছে । লতাশিল খেলপথাৰত অনুষ্ঠিত এই গৌৰৱোজ্জ্বল প্ৰতিযোগিতাত কেইবাগৰাকীও দক্ষ প্ৰতিযোগীক চেৰ পেলাই গুৱাহাটীৰ সংগীতা ৰাভাই লাভ কৰিলে ২০২৬ বৰ্ষৰ 'বিহু সম্ৰাজ্ঞী'ৰ খিতাপ। লতাশিল খেলপথাৰত অনুষ্ঠিত ঐতিহ্যমণ্ডিত গুৱাহাটী বিহু সন্মিলনীত সংগীতা ৰাভাই এই গৌৰৱ অৰ্জন কৰিবলৈ সক্ষম হয়। কেইবাগৰাকীও দক্ষ প্ৰতিযোগীৰ মাজৰ পৰা শ্ৰেষ্ঠ প্ৰদৰ্শনেৰে সংগীতা ৰাভাই এই সন্মান লাভ কৰে। বিহু সম্ৰাজ্ঞীৰ খিতাপ জয় কৰা সংগীতা ৰাভাই পুৰস্কাৰ হিচাপে লাভ কৰে এটি ( নপৃষ্ঠাত চাওক)

## কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰীৰ মৰগীয়া বানচ ২ শতাংশ বৃদ্ধি




ৰঙিলী বাৰ্ত্তাসেৱা-কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰী-পেন্সনাৰলৈ সুখবৰ। কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰীৰ মৰগীয়া বানচ (ডিএ) ২ শতাংশ বৃদ্ধিৰ বাবে মন্ত্ৰীসভাই অনুমোদন জনাইছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত অনুষ্ঠিত কেবিনেট বৈঠকে এই সিদ্ধান্ত গ্ৰহণ কৰে। ইয়াৰ লগে লগে ডিএ-ডিআৰৰ পৰিমাণ বৰ্তমানৰ ৫৮ শতাংশৰ পৰা ৬০ শতাংশলৈ বৃদ্ধি পাব। কেবিনেট বৈঠকত গ্ৰহণ কৰা সিদ্ধান্তৰ বিষয়ে অৱগত কৰি তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয় যে মৰগীয়া বানচ আৰু মৰগীয়া সকাহ দুয়োটা বৃদ্ধিৰ বাবে ৰাজকোষৰ ওপৰত বছৰি মুঠ ৬, ৭৯১.২৪ কোটি টকাৰ বোজা পৰিব । ২০২৬ চনৰ ১ জানুৱাৰীৰ পৰা কাৰ্যকৰী হোৱাকৈ (দহ পৃষ্ঠাত চাওক)


## লোকসভাত মহিলা সংৰক্ষণ বিধেয়ক গৃহীত নোহোৱাক লৈ প্ৰতিক্ৰিয়া মুখ্যমন্ত্ৰী ড° শৰ্মাৰ




ৰঙিলী বাৰ্ত্তাসেৱা- মহিলাৰ বাবে আসন সংৰক্ষণৰ লক্ষ্যৰে সংসদত উত্থাপন হোৱা নাৰীশক্তি বন্দন অধিনিয়ম বিধেয়কখন লোকসভাত গৃহীত নোহোৱাৰ পিছত প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। কংগ্ৰেছকে ধৰি বিৰোধী ৰাজনৈতিক দলসমূহে এই বিধেয়কৰ বিৰুদ্ধে থিয় দি ইয়াৰ অনুমোদনত বাধাৰ সৃষ্টি কৰাক লৈ যথেষ্ট সৰৱ হৈ পৰিল মুখ্যমন্ত্ৰী ড°হিমন্ত বিশ্ব শৰ্মা। পশ্চিমবংগত নিৰ্বাচনী প্ৰচাৰ অভিযানৰ মাজতে বিধেয়কখন সন্দৰ্ভত প্ৰতিক্ৰিয়া প্ৰকাশ কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়- পবিত্ৰ সংসদৰ মজিয়াত মহিলাৰ প্ৰতি ৰাহুল গান্ধী আৰু ( দুই পৃষ্ঠাত চাওক)

# দেৱজিৎ কুমাৰ বৰুৱাৰ ‘বিনিদ্ৰ নিশাৰ অনুভূতি’ গ্ৰন্থ খনিৰ শুভ উন্মোচন









দেৱাশীষ গোস্বামী, নগাঁও, ৰঙিলী বাৰ্তাসেৱা- ‘টিফিন’ নামৰ গল্পৰে দৈনিক জনমভূমিৰ জৰিয়তে অসমীয়া সাহিত্য জগতত ভুমুকি মৰা দেৱজিৎ কুমাৰ বৰুৱা বৰ্তমান সময়ৰ এটা অতি জনপ্ৰিয় নাম। সাংস্কৃতিক ৰাজধানী যোৰহাটৰ ‘গোলোক উকীল’ খ্যাত এটা অতি অভিজাত বৰুৱা পৰিয়ালক প্ৰতিনিধিত্ব কৰা দেৱজিৎ কুমাৰ বৰুৱাৰ কলমেৰে নিগৰিত প্ৰতিটো কবিতা, গল্পই অসমীয়া সাহিত্যৰ ভৰাল যে চহকী কৰিছে, সন্দেহাতীত ভাৱে সাহিত্যৰ লগত জড়িত মহলে একমুখে নিশ্চয় স্বীকাৰ কৰিব, ধ্ৰুৱপ। সাহিত্যিক পেঞ্চন প্ৰাপ্ত বিশিষ্ট লেখিকা দিপিকা বৰুৱাৰ দ্বিতীয় পুত্ৰ দেৱজিৎ কুমাৰ বৰুৱাৰ অতি মনোগ্ৰাহী লিখন শৈলিয়ে সকলোকে আপ্লুট কৰে। ইতিমধ্যে প্ৰায় ৪ শতাধিক অতুলনীয় সৃষ্টি ৰাজীৰে সাহিত্য অনুৰাগীৰ মাজত এটা অতি জনপ্ৰিয় নাম দেৱজিৎ কুমাৰ বৰুৱা।

সদ্য প্ৰকাশিত ‘বিনিদ্ৰ নিশাৰ অনুভূতি’ গ্ৰন্থখনি দেৱজিৎ কুমাৰ বৰুৱাৰ ৪০ টাকৈ অতুলনীয় সৃষ্টিৰ সমাহাৰ। অসমীয়া সাহিত্যৰ এগৰাকী গৱেষিকা, বক্তা, লেখক তথা ৰামায়ণী সাহিত্যৰ চৰ্চাবিদ ডক্টৰ মালিনী, অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষয়িত্ৰী সৰোজ বৰদলৈ, ৰাষ্ট্ৰীয় পুৰস্কাৰ প্ৰাপ্ত শিক্ষক ভবেন পূজাৰী, মাতৃ বিশিষ্ট সাহিত্যিক দীপিকা বৰুৱা আদিৰ দৰে স্বনামধন্য ব্যক্তিৰে মঞ্চ শুৱনি কৰি, দৈনিক জনমভূমি কাকতৰ জ্যেষ্ঠ সাংবাদিক ৰক্তিম ৰঞ্জন বৰুৱা তথা সাংবাদিক মনজিৎ কাশ্যপে আঁত ধৰা দেৱজিৎ কুমাৰ বৰুৱাৰ সদ্য প্ৰকাশিত ‘বিনিদ্ৰ নিশাৰ অনুভূতি’ গ্ৰন্থখনিৰ শুভ উন্মোচন অনুষ্ঠানতি ১৫ এপ্ৰিল, ১ বহাগ তাৰিখে যোৰহটীয়া ৰাইজৰ সকলোৰে পৰিচিত ১৯৯৮ চনতে প্ৰতিষ্ঠিত নেহেৰু পাৰ্ক চাৰিআলিৰ সমীপৰ অৰণ্যম ৰেষ্টুৰেন্টৰ নতুনকৈ প্ৰতিষ্ঠা কৰা জন্মদিন, চূড়াকৰণ, অন্নপ্ৰাশন্ন, সভা-সমিতি আদি যি কোনো ধৰণৰ অভ্যৰ্থনাৰ সু ব্যৱস্থাৰে

(দহ পৃষ্ঠাত চাওক)

# মৰ্মিতাৰ বিৰুদ্ধে ৰাজ্যৰ বিভিন্ন থানাত এজাহাৰ দাখিল



ৰঙিলী বাৰ্তাসেৱা- অসমীয়াৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ গান বিকৃত ৰূপত উপস্থাপন কৰি বিপদত পৰিছে পশ্চিমবংগৰ কণ্ঠশিল্পী মৰ্মিতা মিত্ৰ। পশ্চিমবংগৰ কণ্ঠশিল্পী মৰ্মিতা মিত্ৰৰ বিৰুদ্ধে ৰাজ্যৰ থানাই থানাই দল-সংগঠনে এজাহাৰ দাখিল কৰিছে। উল্লেখ্য যে জীৱিতকালত অগ্ৰজ শিল্পীৰ গীত অতি শ্ৰদ্ধাসহকাৰে পৰিৱেশন কৰা প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ ‘বাঁহী বাঁহী’ শীৰ্ষক গীতটো বিকৃত ৰূপত পৰিৱেশন কৰিছিল মৰ্মিতাই। ইয়াৰ পাছতে সামাজিক মাধ্যমত এই দৃশ্য ভাইৰেল হৈ পৰাৰ লগে লগে ক্ষোভিত হৈ পৰিছে প্ৰতিজন জুবিন অনুৰাগী অসমীয়া। উজনি অসমৰ কেইবাখনো বিহু সন্মিলনীয়ে মৰ্মিতা মিত্ৰৰ গীতৰ অনুষ্ঠান বাতিল কৰিছে। কালি গোলাঘাট কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনে গায়িকা মিত্ৰৰ অনুষ্ঠান বাতিল কৰাৰ পিছত শিৱসাগৰতো বাতিল হৈছিল গায়িকাগৰাকীৰ অনুষ্ঠান। ইয়াৰ পাছতে কাজিৰঙা কহৰা বসন্ত উৎসৱ উদযাপন সমিতিয়েও মৰ্মিতাৰ গীতৰ অনুষ্ঠান বাতিল কৰে। উল্লেখ্য যে অহা ৮ মে’ৰ নিশাৰ সাংস্কৃতিক সন্ধিয়াৰ মুখ্য আকৰ্ষণ আছিল বিতৰ্কিত মৰ্মিতা। একেদৰে তিনিচুকীয়া জিলাৰ তালাপ নগৰ খেলপথাৰত অহা ২৯ এপ্ৰিলৰ পৰা তিনিদিনীয়া কাৰ্যসূচীৰে অনুষ্ঠিত হ’বলগীয়া তালাপ ৰাজহুৱা ৰঙালী বিহু সন্মিলনে ১ মে’ৰ নিশা মৰ্মিতা মিত্ৰৰ অনুষ্ঠানৰ আয়োজন কৰিছিল। কিন্তু জুবিন গাৰ্গৰ গীত বিকৃতকৰণ বিতৰ্কৰ পাছতে সন্মিলনৰ সভাপতি বীৰেন গগৈয়ে গায়িকা মিত্ৰৰ অনুষ্ঠান বাতিল কৰা হৈছে বুলি সদৰী কৰিছে। ইয়াৰ পৰিৱৰ্তে সেইদিনা কণ্ঠশিল্পী নীলাক্ষি নেওগে সংগীতানুষ্ঠান পৰিৱেশন কৰিব। ইপিনে ৰাজ্যজুৰি বিভিন্ন সমিতিয়ে মৰ্মিতা মিত্ৰৰ অনুষ্ঠান বাতিল কৰাৰ সময়তে অহা ২৭এপ্ৰিলত মহানগৰীৰ পাঞ্জাবাৰী যুৱ সমাজৰ উদ্যোগত অনুষ্ঠিত হ’বলগা দশম বাৰ্ষিক বৃহত্তৰ পাঞ্জাবাৰী ৰঙালী বিহু সন্মিলনেও মৰ্মিতা মিত্ৰৰ সংগীতানুষ্ঠান বাতিল কৰিছে। পাঞ্জাবাৰী যুৱ সমাজৰ হৈ সম্পাদক হিমাংশু ৰয়ে এই কথা সদৰী কৰিছে। আনহাতে, নলবাৰী জিলাৰ ৭১ সংখ্যক হাৰিভাঙা কেন্দ্ৰীয় ৰঙালী বিহু সন্মিলনেও অহা ২৫ এপ্ৰিলত হ’বলগীয়া মৰ্মিতা মিত্ৰৰ অনুষ্ঠান বাতিল কৰিছে। ৰঙিয়াৰ ব্ৰীকফিল্ড ৰঙালী বিহু সন্মিলনেও গায়িকা মিত্ৰৰ অনুষ্ঠান বাতিল কৰাৰ কথা ঘোষণা কৰিছে। অহা ১৬ মে’ৰ সাংস্কৃতিক সন্ধিয়াৰ মূল আকৰ্ষণ আছিল মৰ্মিতা মিত্ৰ। অকল অনুষ্ঠান বাতিলেই নহয়, প্ৰাণৰ শিল্পীক বিহু মঞ্চত এনেদৰে অপমান কৰিবলৈ

( তিনিপৃষ্ঠাত চাওক)

# লোকসভাত মহিলা সংৰক্ষণ

বিৰোধী ৰাজনৈতিক দলসমূহে দেশৰ নাৰীশক্তিক যি অপমান কৰিলে, সেয়া দেশৰ নাৰীসমাজে কেতিয়াও নাপাহৰে। নাৰীয়ে সমাজত আগুৱাই যোৱাটো তেওঁলোকে কেতিয়াও নিবিচাৰে, এয়া পুনৰ প্ৰমাণ হ’ল। দেশৰ মাতৃ-ভগ্নীৰ প্ৰতি থকা তেওঁলোকৰ আক্ৰোশৰ বহিঃপ্ৰকাশ ঘটা দেখা গ’ল। এই আক্ৰোশৰ বাবেই এদিন কংগ্ৰেছ নিশ্চিহ্ন হৈ যাব। মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়- যদি সমষ্টি পুনৰ নিৰ্ধাৰণ কৰা নহয়, তেন্তে দেশৰ মহিলাসকলে কিদৰে ক্ষমতা লাভ কৰিব? গতিকে আসন বৃদ্ধি কৰিবই লাগিব। স্বাধীনতাৰ সময়ৰে পৰা সংসদত ৫৪২খন আসন আছে। সেই আসন বৃদ্ধি কৰাটো আইনবিৰুদ্ধ কথা হ’ব নোৱাৰে। আসন বৃদ্ধি কৰাত বিৰোধীৰ সমস্যা ক’ত? আনহাতে সামাজিক মাধ্যম এক্স যোগে মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়, “১৭ এপ্ৰিলক সদায় ক’লা দিৱস হিচাপে স্মৰণ কৰা হ’ব। কংগ্ৰেছৰ নেতৃত্বত বিৰোধীয়ে প্ৰমাণ কৰিছে যে তেওঁলোক নাৰী বিৰোধী, ই লজ্জাজনক।” উল্লেখ্য যে সংসদৰ তিনিদিনীয়া বিশেষ অধিৱেশনত আইন মন্ত্ৰী অৰ্জুন ৰাম মেঘৱালে দাখিল কৰা বিধেয়ককেইখন আছিল ক্ৰমে নাৰীশক্তি বন্দন অধিনিয়ম (লোকসভা-বিধানসভাত মহিলাৰ বাবে এক-তৃতীয়াংশ আসন সংৰক্ষণৰ বাবে ১৩১সংখ্যক সংবিধান সংশোধনী বিধেয়ক), লোকসভাৰ আসন পুনৰ বিন্যাস বিধেয়ক আৰু কেন্দ্ৰীয়শাসিত অঞ্চলত লোকসভা-বিধানসভাৰ আসন বৃদ্ধিৰ উদ্দেশ্যে কেন্দ্ৰীয় শাসিত অঞ্চল আইন সংশোধনী বিধেয়ক। প্ৰথমখন বিধেয়ক গৃহীত নোহোৱাত বাকী দুখন বিধেয়কৰ ভোটগ্ৰহণ প্ৰক্ৰিয়া অনুষ্ঠিত নহ’ল। বিৰোধীৰ মতে, মহিলাৰ বাবে আসন সংৰক্ষণৰ অচিলা লৈ কেন্দ্ৰীয় চৰকাৰে লোকসভাৰ আসন বৃদ্ধিৰহে পৰিকল্পনা কৰিছে।

# দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে প্ৰথম টি-২০ত পৰাস্ত ভাৰত




ৰঙিলী বাৰ্তাসেৱা- শুকুৰবাৰে ডাৰবানত অনুষ্ঠিত প্ৰথমখন টি-২০ মেচত হৰমনপ্ৰীত কৌৰ নেতৃত্বাধীন ভাৰতীয় দলটোৱে ঘৰুৱা দল দক্ষিণ আফ্ৰিকাৰ হাতত ৬ উইকেটত পৰাস্ত হয়। মেচখনত বিজয় সাব্যস্ত কৰি ঘৰুৱা দলটোৱে ৫খনীয়া টি-২০ মেচৰ শৃংখলাটোত ১-০ ত অগ্ৰগতি লাভ কৰিছে। ভাৰতে জয়ৰ বাবে বান্ধি দিয়া ১৫৮ ৰানৰ লক্ষ্য অনুসৰণ কৰিবলৈ আহি অধিনায়িকা লউৰা ব’লভাৰ্ডৰ দৰ্শনীয় ৫১ আৰু এন্নেৰী ডেকছেনৰ অপৰাজিত ৪৪ ৰানৰ সহায়ত দক্ষিণ আফ্ৰিকাই ১৯.১ অভাৰত চাৰিটা উইকেট হেৰুৱাই জয়ৰ লক্ষ্যত উপনীত হয়। ভাৰতীয় দলটোৰ হৈ শ্ৰেয়াংকা পাটিলে সৰ্বাধিক দুটা উইকেট লাভকৰে। ইয়াৰ পূৰ্বে প্ৰথমে বেটিং কৰি অধিনায়িকা হৰমন প্ৰীতৰ অপৰাজিত ৪৭, জেমিমা ৰ’ড্ৰিগুৱেজৰ ৩৬ আৰু শেফালী বাৰ্মাৰ ৩৪ ৰানৰ সহায়ত ভাৰতে নিৰ্ধাৰিত ২০ অভাৰত ৭ উইকেট হেৰুৱাই ১৫৭ ৰান সংগ্ৰহ কৰে। স্মৃতি মান্ধানাই ১৩ আৰু ৰিচা ঘোষে ৫ ৰান কৰি বিদায় লয়।

# লোকসভাত গৃহীত নহ’ল মহিলা সংৰক্ষণ বিধেয়ক



ৰঙিলী বাৰ্ত্তাসেৱা- প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰে মহিলাক সবলীকৰণৰ উদ্দেশ্যে দেশৰ আইন সভাত ৩৩ শতাংশ আসন তাৎক্ষণিকভাৱে সংৰক্ষণৰ লক্ষ্যৰে ঐতিহাসিক বিধেয়ক সংসদত উত্থাপন কৰিছিল। কিন্তু বিৰোধীৰ বিৰোধিতাত সংসদত এই বিধেয়ক গৃহীত হোৱাৰ পথ ৰুদ্ধ হৈ পৰিল। বৃহস্পতিবাৰৰ পৰা অনুষ্ঠিত হোৱা সংসদৰ তিনিদিনীয়া বিশেষ অধিৱেশনত উত্থাপন হোৱাৰ পিছতো বিৰোধীৰ নেতিবাচক ভূমিকাৰ বাবেই ভোট গ্ৰহণ পৰ্বত লোকসভাত সংখ্যাগৰিষ্ঠতা নাপালে লোকসভাত মহিলা সংৰক্ষণ তথা লোকসভাৰ আসন বৃদ্ধি সম্পৰ্কীয় ১৩১ সংখ্যক সংবিধান সংশোধনী বিধেয়ক। দুদিন ধৰি চলা বিতৰ্কৰ শেষত শুকুৰবাৰে বিয়লি বিধেয়কক লৈ ভোটদান অনুষ্ঠিত হয়। ভোটদান পৰ্বত বিধেয়কৰ সপক্ষে ২৯৮টা ভোট আৰু বিপক্ষে ২৩০টা ভোট পৰে। মুঠ ৫২৮জন সাংসদে এই ভোটদান পৰ্বত অংশগ্ৰহণ কৰে। সংবিধান সংশোধন সম্পৰ্কীয় বিধেয়ক গৃহীত কৰাৰ বাবে দুই-তৃতীয়াংশ সংখ্যাগৰিষ্ঠতাৰ প্ৰয়োজন হয়। এইক্ষেত্ৰত বিধেয়কখন গৃহীত কৰাৰ বাবে প্ৰয়োজন আছিল ৩৫টা ভোটৰ। কিন্তু এই বিধেয়ক সন্দৰ্ভত নিৰ্ধাৰিত সংখ্যা লাভ কৰিবলৈ সক্ষম নোহোৱাত সদনত ই গৃহীত নহ’ল। সংবিধান সংশোধনী বিধেয়কক লৈ অনুষ্ঠিত হোৱা বিতৰ্কত ভাগ লৈ কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে কয় ‘এনেকুৱা লোকসভা আসন আছে য’ত ভোটাৰৰ সংখ্যা ৪৮ লাখ। কিদৰে তাৰ সাংসদগৰাকীয়ে ভোটদাতাসকলৰ আশা-আকাংক্ষা পূৰণ কৰিব পাৰে।’ বিৰোধীক উদ্দেশ্য কৰি আবেদন জনাই তেওঁ কয়- ‘আমাৰ ওপৰত ভৰসা ৰাখক। বিধেয়ক গৃহীত হ’বলৈ দিয়ক।’ কিন্তু গৃহমন্ত্ৰী শ্বাহৰ আবেদনক আওকাণ কৰি ইয়াক চৰকাৰী পক্ষৰ ৰাজনৈতিক কৌশল বুলি অভিহিত কৰি নিজৰ মতত অটল থাকে বিজেপিবিৰোধী মিত্ৰজোঁট ‘ইণ্ডিয়া’ৰ (দহ পৃষ্ঠাত চাওক)

# অসমত পেট্ৰল-ডিজেল বা ৰন্ধন গেছৰ নাটনি হোৱা নাইঃ নীতিন ভাটনাগৰ




ৰঙিলী বাৰ্ত্তাসেৱা- অসমত ৰন্ধন গেছৰ চিলিণ্ডাৰ আৰু পেট্ৰল-ডিজেলৰ যোগানত কোনো ধৰণৰ অসুবিধাৰ সৃষ্টি হোৱা নাই। ৰাজ্যখনত পৰ্যাপ্ত পৰিমাণৰ ৰন্ধন গেছৰ লগতে পেট্ৰলিয়াম সামগ্ৰী মজুত আছে। এই কথা স্পষ্ট কৰি দিছে ভাৰতীয় তেল নিগম কৰ্তৃপক্ষই। শুকুৰবাৰে নুনমাটিস্থিত ভাৰতীয় তেল নিগম লিমিটেড (এঅ’ডি)ৰ মুখ্য কাৰ্যালয়ত আয়োজিত এখন সংবাদমেলত ভাৰতীয় তেল নিগমৰ কাৰ্যবাহী সঞ্চালক নীতিন ভাটনাগৰে কয় যে ৰাজ্যৰ চাৰিওটা শোধনাগাৰতেই সম্প্ৰতি নিয়মীয়াকৈ উৎপাদন তথা যোগান অব্যাহত আছে। সেয়েহে অসমত পেট্ৰল-ডিজেল বা ৰন্ধন গেছৰ নাটনি হোৱা নাই। ৰাইজ শংকিত হোৱাৰো কোনো প্ৰয়োজন নাই। দুয়োবিধ সামগ্ৰী পৰ্যাপ্ত পৰিমাণে ৰাজ্যত মজুত আছে। যোগান স্বাভাৱিক আৰু নিয়ন্ত্ৰণত আছে। তেওঁ কয় যে সম্প্ৰতি অসমত মুঠ ১, ৭৩৭টা খুচুৰা বিক্ৰী কেন্দ্ৰ আছে। ইয়াৰ ( পাঁচ পৃষ্ঠাত চাওক)

# পৱন খেড়াক ৰিণিকি ভূঞা শৰ্মাৰ গোচৰত সুৰক্ষা দিবলৈ অস্বীকাৰ উচ্চতম ন্যায়ালয়ৰ

ৰঙিলী বাৰ্ত্তাসেৱা- উচ্চতম ন্যায়ালয়ত বিমুখ হ’বলগা হ’ল কংগ্ৰেছ নেতা পৱন খেড়া। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ পত্নী ৰিণিকি ভূঞা শৰ্মাৰ বিৰুদ্ধে উত্থাপন কৰা অভিযোগ সন্দৰ্ভত ৰুজু হোৱা গোচৰত কংগ্ৰেছৰ ৰাষ্ট্ৰীয় মুখপাত্ৰ পৱন খেড়াক অন্তৰ্বৰ্তীকালীন জামিন প্ৰদান কৰিবলৈ অস্বীকাৰ কৰে উচ্চতম ন্যায়ালয়ে। তেলেংগানা উচ্চ ন্যায়ালয়ে পৱন খেড়াক দিয়া অন্তৰ্বৰ্তীকালীন জামিন উচ্চতম ন্যায়ালয়ে খাৰিজ কৰে। উল্লেখ্য যে উচ্চতম ন্যায়ালয়ে তেলেংগানা উচ্চন্যায়ালয়ে প্ৰদান কৰা জামিনত স্থগিতাদেশ দিয়াৰ পিছত এই ৰায়ৰ বিৰুদ্ধে সৰ্বোচ্চ ন্যায়ালয়ৰ দ্বাৰস্থ হৈছিল পৱন খেড়া। আনহাতে শীৰ্ষ ন্যায়ালয়ে এই গোচৰৰ জামিনৰ বাবে পৱন খেড়াক অসমৰ সংশ্লিষ্ট ন্যায়িক আদালতত আবেদন কৰিবলৈ নিৰ্দেশ দিছে। ন্যায়াধীশ জে কে মহেশ্বৰী আৰু ন্যায়াধীশ অতুল এছ চন্দুৰকাৰৰে গঠিত খণ্ড বিচাৰপীঠখনে এই সন্দৰ্ভত শুনানি গ্ৰহণ কৰি খেড়াৰ আবেদন ক্ষিপ্ৰতাৰে গ্ৰহণ কৰিবলৈকো অসমৰ সংশ্লিষ্ট আদালতক আহ্বান জনায়। ন্যায়াধীশ জে কে মহেশ্বৰী আৰু ন্যায়াধীশ অতুল চন্দুৰকাৰৰ বিচাৰপীঠে খেড়াৰ জামিনৰ বাবে কৰা আবেদন বিবেচনা কৰাৰ সময়ত (দহ পৃষ্ঠাত চাওক)

# প্ৰাক্তন শিক্ষামন্ত্ৰী যতীন মালীৰ দেহাৱসান



ৰঙিলী বাৰ্ত্তাসেৱা- ৰাজ্যৰ প্ৰাক্তন শিক্ষামন্ত্ৰী যতীন মালীৰ দেহাৱসান। উচ্চ ৰক্তচাপজনিত ৰোগত আক্ৰান্ত হৈ আকস্মিকভাৱে মৃত্যুমুখত পৰে অসম আন্দোলনৰ অগ্ৰণী নেতা, দুবাৰকৈ ৰাজ্যখনৰ শিক্ষামন্ত্ৰীৰ দায়িত্ব গ্ৰহণ কৰা, চাৰিবাৰকৈ পলাশবাৰী সমষ্টিৰ বিধায়ক যতীন মালী। যতীন মালীয়ে শুকুৰবাৰে পুৱা ১১.৩০ বজাত উচ্চ ৰক্তচাপত আক্ৰান্ত হোৱাত পৰিয়ালৰ লোকে তেওঁক ততাতৈয়াকৈ ডাউন টাউন হাস্পতালত ভৰ্তি কৰাইছিল। সংকটজনক অৱস্থাত তেওঁক চিকিৎসালয়ত ভৰ্তি কৰাইছিল যদিও চিকিৎসকে অশেষ যত্ন কৰিও প্ৰাণৰক্ষা কৰিব নোৱাৰিলে। বিয়লি প্ৰায় ২.১৫ বজাত প্ৰাক্তন শিক্ষামন্ত্ৰীগৰাকীয়ে মৃত্যুক আঁকোৱালি লয়। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৬৯ বছৰ। ঐতিহাসিক অসম আন্দোলনৰ পৰিসমাপ্তিত গঠন হোৱা প্ৰফুল্ল কুমাৰ মহন্তৰ ( চাৰিপৃষ্ঠাত চাওক)

# ৰাষ্ট্ৰীয় যুৱ বক্সিঙৰ ছেমিফাইনেলত প্ৰৱেশ সন্দীপ-নিকশিতাৰ




ৰঙিলী বাৰ্ত্তাসেৱা- সোণাপুৰস্থিত অসম ডনবস্কো বিশ্ববিদ্যালয়ৰ হলত চলি থকা ১৯ বছৰ অনূৰ্ধৰ অষ্টম পুৰুষ-মহিলা ৰাষ্ট্ৰীয় যুৱ বক্সিং চেম্পিয়নশ্বিপ প্ৰতিযোগিতাখনত অসমৰ দুগৰাকী খেলুৱৈয়ে ছেমিফাইনেলত প্ৰৱেশ কৰি অতিকমেও ব্ৰঞ্জৰ পদক লাভ কৰাটো নিশ্চিত কৰিছে। কোৱাৰ্টাৰ ফাইনেলত সন্দীপ বসুমতাৰী আৰু নিকশিতা কোঁৱৰে জয় অৰ্জন কৰি অসমক পদক দিবলৈ সক্ষম হয়। উল্লেখ্য যে ৰাজ্যৰ মুঠ পাঁচগৰাকী বক্সাৰে কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিছিল যদিও তিনিগৰাকীয়ে পৰাজয়ৰ সন্মুখীন হৈ অভিযান সামৰে। অৱশ্যে কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশৰ সাফল্যৰ বাবে আসন্ন খেলো ইণ্ডিয়া যুৱ ক্ৰীড়ালৈ অসমৰ পাঁচোগৰাকী বক্সাৰে যোগ্যতা অৰ্জন কৰিবলৈ সক্ষম হৈছে। ল’ৰাৰ ৭৫ কিলোগ্ৰাম শাখাত খেলা মৃদুপম বৰুৱাৰ লগতে ছোৱালীৰ ৪৮ কিলোগ্ৰাম শাখাত প্ৰতিদ্বন্দ্বিতা কৰা মণিকা দলে আৰু আদৰ্শিনি চাংমাই ৫৪ কিলোগ্ৰামৰ পৰাজয়ৰ সন্মুখীন হৈ বিদায় লয়। কিন্তু নিশা অসমৰ সন্মান ৰক্ষা কৰে সন্দীপ আৰু নিকশিতাই। ল’ৰাৰ ৮০ কিলোগ্ৰাম শাখাৰ কোৱাৰ্টাৰত সন্দীপে উত্তৰাখণ্ডৰ বক্সাৰক প্ৰথম ৰাউণ্ডতে ধৰাশায়ী কৰি ছেমিত প্ৰৱেশ কৰিবলৈ সক্ষম হয়। আনহাতে, ছোৱালীৰ ৬৫ কিলোগ্ৰাম শাখাৰ কোৱাৰ্টাৰত নিকশিতাই ছয় মিনিটৰ তীব্ৰ প্ৰতিদ্বন্দ্বিতাৰ অন্তত মণিপুৰৰ বক্সাৰক ৩-২ত পৰাস্ত কৰি অসমৰ হৈ দ্বিতীয়টো পদক নিশ্চিত কৰে। অসম এমেচাৰ বক্সিং সন্থাই আয়োজন কৰা প্ৰতিযোগিতাখন ১৯ এপ্ৰিলত সামৰণি পৰিব।

# মৰ্মিতাৰ বিৰুদ্ধে ৰাজ্যৰ

দুঃসাহস কৰা তথাকথিত গায়িকা মৰ্মিতা মিত্ৰৰ বিৰুদ্ধে সদৌ অসম জুবিন গাৰ্গ অনুৰাগী মঞ্চৰ হৈ অজয় ফুকন, বৈকুণ্ঠ প্ৰিন্স পাঠক, সাংবাদিক হেমন্ত শৰ্মাই শনিবাৰে দিছপুৰ থানাত উপস্থিত হৈ মৰ্মিতা মিত্ৰৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰে। বৃহত্তৰ অসমীয়া যুৱ মঞ্চই মৰ্মিতা মিত্ৰৰ বিৰুদ্ধে শিৱসাগৰ সদৰ থানাত এজাহাৰ দাখিল কৰে। অসমীয়া যুৱ মঞ্চৰ তিনিচুকীয়া জিলা সমিতিয়ে বৰডুমচা থানাত এজাহাৰ দাখিল কৰে। ঠিক একেদৰে সদৌ অসম যুৱ সংঘই দিছপুৰ থানাত, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ শিৱসাগৰ ৬ পৃষ্ঠাত জিলা সমিতিয়ে শিৱসাগৰ সদৰ থানাত, অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ চৰাইদেউ জিলা সমিতিয়ে সোণাৰি থানাত এজাহাৰ দাখিল কৰে। জুবিন গাৰ্গৰ গীতসমূহৰ বিকৃত উপস্থাপনে শিল্পীগৰাকীৰ সৃষ্টিৰ সন্মান তথা অসমীয়াৰ আৱেগত আঘাত কৰিছে বুলি মন্তব্য কৰি মঞ্চৰ হৈ শিল্পী অজয় ফুকনে কয় যে কোনো এগৰাকী কণ্ঠশিল্পীৰ গীতৰ প্ৰকৃত সুৰ সলনি কৰাৰ অধিকাৰ কাৰোৱেই নাই। ইতিমধ্যে উজনি অসমৰ কেইবাখনো বিহু সমিতিয়ে মৰ্মিতা মিত্ৰৰ অনুষ্ঠান বাতিল কৰিছে। যিকেইখন সমিতিয়ে এতিয়ালৈকে অনুষ্ঠান বাতিল কৰা নাই তেওঁলোককো শীঘ্ৰেই এই পদক্ষেপ ল’বলৈ অজয় ফুকনে আহ্বান জনাইছে।

# বনাঞ্চল বেদখলক লৈ ৰুণীখাতাত উত্তেজনাময় পৰিস্থিতি



ৰঙিলী বাৰ্তাসেৱা- চিৰাং জিলাৰ ভাৰত-ভুটান সীমান্তৰ ৰুণীখাতা সংৰক্ষিত বনাঞ্চলত বেদখলৰ অভিযোগত উচ্ছেদ চলোৱাক কেন্দ্ৰ কৰি অগ্নিগৰ্ভ পৰিস্থিতিৰ সৃষ্টি হয়। বৃহস্পতিবাৰে ৰুণীখাতাৰ সংৰক্ষিত বনাঞ্চলৰ পৰা বন বিভাগে ২৫গৰাকী আদিবাসী লোকক বনাঞ্চলত বেদখল তথা বন ধ্বংস কৰাৰ অভিযোগত আটক কৰি অনাৰ পিছতে ৰুণীখাতাৰ বনাঞ্চলিক কাৰ্যালয় তথা ইয়াৰ কাষৰীয়া অঞ্চলসমূহত সংঘটিত হয় এই ভয়ংকৰ পৰিস্থিতি। মুখ্যতঃ বন বিভাগে কৰায়ত্ত কৰি অনা আদিবাসী লোকসকলৰ একাংশ মহিলাক বন বিভাগৰ লোকে আতিশয্য চলোৱাৰ অভিযোগতে আদিবাসীসকলৰ কেইবাটাও সংগঠনৰ নেতৃত্বত শুকুৰবাৰে পুৱাৰে পৰা অঞ্চলটোত উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি হয়। এই ঘটনাত উত্তেজিত প্ৰতিবাদকাৰীসকলে ৰুণীখাতা বনাঞ্চলিক কাৰ্যালয়ত ব্যাপক হিংসাত্মক কাৰ্য সংঘটিত কৰাৰ লগতে কাৰ্যালয়ত থকা চাৰিখনকৈ বাহনসহ কেইবাখনো দুচকীয়া বাহন, চাইকেল আদি জ্বলাই দিয়ে। প্ৰতিবাদকাৰীসকলে বন বিভাগৰ কাৰ্যালয়ৰ ভিতৰৰ কম্পিউটাৰকে ধৰি বহু মূল্যৱান সামগ্ৰী, নথিপত্ৰসহ বহু আচবাব ভাঙি চুড়মাৰ কৰাৰ লগতে বহু সামগ্ৰী ৰাজপথলৈ আনি জ্বলাই দিয়ে। প্ৰতিবাদকাৰী তথা আক্ৰমণকাৰীসকলৰ একাংশই বন বিভাগৰ কাৰ্যালয়ত থকা অস্ত্ৰ-শস্ত্ৰ লুট কৰি নিয়া বুলিও জানিব পৰা গৈছে। আদিবাসীসকলৰ এই প্ৰতিবাদ তথা আক্ৰমণ নিয়ন্ত্ৰণ কৰিবলৈ আৰক্ষী আৰু নিৰাপত্তাৰক্ষী মোতায়েন কৰিবলৈ বাধ্য হয় ( নপৃষ্ঠাত চাওক)

# লোকসভাত তিনি ঐতিহাসিক বিধেয়ক উত্থাপন



ৰঙিলী বাৰ্তাসেৱা- কেন্দ্ৰীয় চৰকাৰে সংসদৰ তিনিদিনীয়া বিশেষ অধিৱেশনত তিনিখন বিধেয়ক গৃহীত কৰিবলৈ বিচাৰিছে। মহিলাৰ আসন সংৰক্ষণৰ বাবে ১৩১ সংখ্যক সংবিধান সংশোধনী বিধেয়ক, লোকসভাৰ সাংসদৰ সংখ্যা বঢ়াই ৮৫০ কৰাৰ বাবে সমষ্টি পুনৰ নিৰ্ধাৰণ বিধেয়ক আৰু কেন্দ্ৰীয়শাসিত অঞ্চল আইন সংশোধনী বিধেয়ক উত্থাপন কৰা হয়। প্ৰায় ১২ ঘণ্টা আলোচনাৰ পিছত শুকুৰবাৰে বিয়লি এই তিনিওখন ঐতিহাসিক বিধেয়ক সন্দৰ্ভত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব পাৰে সংসদৰ নিম্ন সদনত। এই বিধেয়ককেইখন লোকসভাত উত্থাপন কৰা হ'বনে নাই তাক লৈও ভোট হয় সদনৰ মজিয়াত। এই ভোট গ্ৰহণত সপক্ষে ২৫১জন সাংসদে আৰু বিপক্ষে ১৮৫জন সাংসদে নিজৰ মত আগবঢ়ায়। সংসদৰ অধিৱেশন আৰম্ভহোৱাৰ পূৰ্বে বৃহস্পতিবাৰে পুৱাতে সামাজিক মাধ্যম যোগে এক বাৰ্তা পোষ্ট কৰে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। নাৰী সবলীকৰণক লৈ তেওঁ বাৰ্তা দিয়ে। তেওঁৰ ভাষাত- নাৰী সবলীকৰণৰ বাবে ঐতিহাসিক পদক্ষেপ ল'বলৈ আগবঢ়া হৈছে সংসদৰ বিশেষ অধিৱেশনত। মহিলা সংৰক্ষণৰ বিধেয়কৰ উদ্দেশ্যক লৈ যেতিয়া বিৰোধী শিবিৰৰ সমালোচনা আৰু প্ৰশ্নৰ সন্মুখীন হয় মোদী চৰকাৰখন, তেনে সময়তে প্ৰধানমন্ত্ৰীৰ এই বাৰ্তা যথেষ্ট তাৎপৰ্যপূৰ্ণ হিচাপে বিবেচিত হৈছে। কেন্দ্ৰই উত্থাপন কৰা তিনিখন বিধেয়কৰ ভিতৰত সমষ্টি পুনৰ নিৰ্ধাৰণ সম্পৰ্কে বিধেয়কখনক লৈ প্ৰশ্ন তুলিছে বিৰোধী দলসমূহে। এই বিধেয়কখনৰ জৰিয়তে লোকসভাৰ সাংসদৰ সংখ্যা বঢ়াই ৮৫০ কৰিবলৈ বিচাৰিছে কেন্দ্ৰই। একেই (দহ পৃষ্ঠাত চাওক)

# পশ্চিমবংগৰ পৰা বাংলাদেশী

নিদিওঁ। কিন্তু আপোনালোকে মোক ভোট দিব লাগিব। মুখ্যমন্ত্ৰীৰ শৰ্মাৰ মন্তব্য- ভোটৰ বাবে মমতা বেনাৰ্জীয়ে দেশক বিক্ৰী কৰি পেলাইছে। বাংলাদেশীক পশ্চিমবংগলৈ বিনা বাধাই আহিবলৈ দিয়াৰ এটাই মাত্ৰ চৰ্ত- তেওঁলোকে তৃণমূল কংগ্ৰেছক ভোট দিব লাগিব। মমতা বেনাৰ্জীৰ এনে চৰ্তৰ বিপৰীতে বাংলাদেশীৰ চৰ্ত হ'ল- ভোট তৃণমূল কংগ্ৰেছকে দিম, কিন্তু পশ্চিমবংগৰ ভূমি আমাক দিব লাগিব, পশ্চিমবংগৰ ওপৰত আমাৰ অধিকাৰ সাব্যস্ত কৰিব দিব লাগিব। মমতা বেনাৰ্জীয়ে বাংলাদেশীৰ এই চৰ্ত মানি লৈছে। মমতা বেনাৰ্জীক পুনৰ সমালোচনা কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়- পশ্চিমবংগ চৰকাৰখন অবৈধ অনুপ্ৰৱেশকাৰীৰ সুৰক্ষাৰ বাবেহে। এই চৰকাৰখনে সীমান্তত ফেঞ্চিং নিৰ্মাণ কৰিব নিদিয়ে। যাৰ ফলত প্ৰতিদিনে বাংলাদেশৰ পৰা মুছলমান অনুপ্ৰৱেশকাৰী ৰাজ্যখনত প্ৰৱেশ কৰি আছে। যাৰ ফলত পশ্চিমবংগত ২৭ শতাংশ বাংলাদেশী মুছলমানৰ সংখ্যা বৃদ্ধি পাইছে। অসমতো কংগ্ৰেছৰ শাসনকালত একেই পৰিস্থিতিৰ সৃষ্টি হৈছিল। বাংলাদেশীয়ে জনবিন্যাসৰ পৰিৱৰ্তন ঘটাই সনাতনত হিন্দু সমাজক নিশ্চিহ্ন কৰিব খুজিছে। কিন্তু এতিয়া অসমত বাংলাদেশী প্ৰৱেশৰ পথ বন্ধ কৰা হৈছে। কিন্তু পশ্চিমবংগত বাংলাদেশী মুছলমানৰ প্ৰৱেশৰ পথ মমতা বেনাৰ্জীয়ে খোলা ৰাখিছে। সেয়েহে মমতা বেনাৰ্জীক ক্ষমতাৰ পৰা আমি আঁতৰাব লাগিব। নহ'লে পশ্চিমবংগ বাংলাদেশী মুছলমানে লৈ যাব। চৰকাৰ সলনিৰ পোষকতা কৰি তেওঁ প্ৰতিশ্ৰুতি দি কয়- বংগত বিজেপিয়ে চৰকাৰ গঠন কৰিলে আমি এই অঞ্চলৰ পৰা সকলো বাংলাদেশী অনুপ্ৰৱেশকাৰীক খেদি পঠিয়াম। লগতে তেওঁ কয় যে যদি বিজেপি ক্ষমতালৈ আহে তেন্তে গোৰ্খালেণ্ড সমস্যাৰ সাংবিধানিক সমাধান বিচাৰি উলিয়াব আৰু গোৰ্খাসকলক ন্যায় প্ৰদান কৰিব। ইফালে দিনহাটাত জনসমাৰেশত টিএমচিৰ প্ৰাক্তন বিধায়ক তথা আম জনতা উন্নয়ন পাৰ্টিৰ প্ৰতিষ্ঠাপক হুমায়ুন কবীয়ে বংগত বাবৰি মছজিদ পুনৰ নিৰ্মাণৰ প্ৰচেষ্টাৰ কথাও উল্লেখ কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই কয় যে অসমত যদি এনে চেষ্টা কৰা হ'লহেঁতেন তেন্তে তেওঁ কঠোৰ ব্যৱস্থা গ্ৰহণ কৰি তেনে লোকক কাৰাগাৰত ভৰাই থ'লোঁহেঁতেন।

# আঘাতপ্ৰাপ্ত হৈ আইপিএলৰ পৰা বাহিৰ খলিল আহমেদ




ৰঙিলী বাৰ্তাসেৱা- চেন্নাই চুপাৰ কিংছৰ শিবিৰত এক মোক্ষম আঘাত। দলটোৰ তাৰকা পেচ বলাৰ খলিল আহমেদ আঘাত প্ৰাপ্ত হৈ প্ৰতিযোগিতাখনৰ পৰা বাহিৰ হয়। যোৱা ১৪ এপ্ৰিলত কলকাতা নাইট ৰাইডাৰ্ছৰ বিপক্ষে খেলা মেচখনত খলিল আহমেদে সোঁ ভৰিৰ উৰুত আঘাত পাইছিল। মেচখনৰ কলকাতাৰ ইনিংছৰ সপ্তদশ অ'ভাৰটোৰ অন্তিমটো বল কৰাৰ সময়ত সোঁ ভৰিৰ উৰুত অস্বস্তি অনুভৱ কৰে। এই আঘাতৰ বাবে খলিলে অন্তিমটো বল কৰিবলৈ সক্ষম নহ'ল। তেওঁ লগে লগে খেলপথাৰ ত্যাগ কৰে। এই আঘাতৰ বাবে পেচ বলাৰগৰাকীয়ে অতিকমেও ১০-১২ সপ্তাহ খেলপথাৰৰ পৰা আঁতৰি থাকিব লাগিব বুলি চিএছকেৰ এক বিবৃতিত এই কথা সদৰী।

# ৰাজ্যসভাৰ সাংসদ হিচাপে শপতগ্ৰহণ অসমৰ ৩ নৱনিৰ্বাচিত সাংসদৰ



ৰঙিলী বাৰ্তাসেৱা- বৃহস্পতিবাৰে ৰাজ্যসভাৰ সাংসদ হিচাপে শপতগ্ৰহণ কৰে ৮গৰাকী সাংসদে। অসমৰ ৩গৰাকী আৰু বিহাৰৰ ৫গৰাকী সাংসদে কৰিলে শপতগ্ৰহণ। ৰাজ্যৰ ৰাজনীতিৰ পৰা কেন্দ্ৰীয় ৰাজনীতিলৈ পদাৰ্পণ কৰা অসমৰ তিনিগৰাকী নেতা ( নপৃষ্ঠাত চাওক)

# প্ৰাক্তন শিক্ষামন্ত্ৰী যতীন

প্ৰথমখন চৰকাৰত তেওঁ প্ৰাথমিক শিক্ষা বিভাগৰ শিক্ষামন্ত্ৰী হিচাপে দক্ষতাৰে সেৱা আগবঢ়াই সেই সময়ৰ শ শ জৰাজীৰ্ণ চৰকাৰী প্ৰাথমিক বিদ্যালয় পকীকৰণৰ ব্যৱস্থা কৰি নিজৰ দায়িত্ব নিষ্ঠাৰে আগবঢ়াই নিবলৈ সমৰ্থ হৈছিল। পৰৱৰ্তীকালত ১৯৯৬ চনত দ্বিতীয়বাৰৰ কাৰণে প্ৰফুল্ল কুমাৰ মহন্তই গঠন কৰা চৰকাৰত শিক্ষামন্ত্ৰী হৈ পলাশবাৰী সমষ্টিৰ লগতে বহু নিবনুৱাক কৰ্মসংস্থানৰ সুযোগ দিবলৈ সমৰ্থ হৈছিল। ১৯৮৫ চনৰ পৰা ২০০০ চনলৈ একেৰাহে তিনিবাৰ অসম গণ পৰিষদৰ বিধায়ক হিচাপে নিৰ্বাচিত যতীন মালীয়ে ২০০১ চনৰ নিৰ্বাচনত পৰাজিত হৈছিল। পৰৱৰ্তীকালত তেওঁ চন্থৰৰ চনত অগপ দলৰ প্ৰাৰ্থিত্বৰ পৰা বঞ্চিত হোৱাত নিৰ্দলীয় প্ৰাৰ্থী হিচাপে পুনৰ বিধানসভালৈ নিৰ্বাচিত হৈছিল। স্বাজোত্তৰ কালত পলাশবাৰী সমষ্টিৰ সফল বিধায়ক হিচাপে হৰেন্দ্ৰ নাথ তালুকদাৰৰ পিছত ৰাজস্বৱা স্বাৰ্থজড়িত দিশত তেওঁৰেই অৱদান সৰ্বাধিক বুলি সমষ্টিটোৰ জনসাধাৰণৰ মুখে মুখে। মিৰ্জাত অসমৰ অন্যতম আগশাৰীৰ ছোৱালী মহাবিদ্যালয় স্থাপনৰ পৰা ত্ৰিশখন বিছনাযুক্ত চিকিৎসালয় স্থাপন কৰিছিল প্ৰয়াত মালীয়ে। স্পষ্টবাদী আৰু সাহসী নেতাজনে পৰৱৰ্তী কালত কংগ্ৰেছী ৰাজনীতিত প্ৰৱেশ কৰিছিল যদিও তেওঁ তাত দীৰ্ঘকাল থাকিবলৈ সক্ষম নহ'ল। শেহতীয়াভাৱে যোৱা ৯ এপ্ৰিলত অনুষ্ঠিত হৈ যোৱা বিধানসভাৰ নিৰ্বাচনত পুনৰ এগৰাকী নিৰ্দলীয় প্ৰাৰ্থী হিচাপে প্ৰতিদ্বন্দ্বিতা কৰিছিল যদিও ফলাফল প্ৰকাশ নৌহওঁতেই আকস্মিকভাৱে মৃত্যুমুখত পৰে। যতীন মালীৰ বিয়োগত পলাশবাৰী সমষ্টিৰ লগতে সমগ্ৰ ৰাজ্যত গভীৰ শোকৰ ছাঁ পৰে। মৃত্যুৰ সময়ত তেওঁ পত্নী কল্যাণী কলিতা মালী, একমাত্ৰ জী-জোঁৱাই, একমাত্ৰ পুত্ৰ-বোৱাৰীসহ অসংখ্য গুণমুগ্ধক এৰি থৈ যায়।

# মমতা বেনাৰ্জীৰ বাবেই হুমায়ুনৰ দৰে লোকে বাবৰি মছজিদ নিৰ্মাণৰ হুংকাৰ দিব পাৰেঃ মুখ্যমন্ত্ৰী




ৰঙিলী বাৰ্ত্তাসেৰা- ২৩, ২৯ এপ্ৰিলত হ'ব লগা দ্বিতীয় পৰ্যায়ৰ নিৰ্বাচনৰ বাবে পশ্চিমবংগত উপস্থিত হৈছে বিজেপিৰ ষ্টাৰ কেম্পেইনাৰ তথা অসমৰ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা। বৃহস্পতিবাৰে পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে ৰাজ্যখনত সাম্প্ৰদায়িক উত্তেজনা বৃদ্ধি কৰাৰ অভিযোগ উত্থাপন কৰে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই। এখন নিৰ্বাচনী প্ৰচাৰ সভাত ভাষণ দি অসমৰ মুখ্যমন্ত্ৰী শৰ্মাই বাবৰি মছজিদ নিৰ্মাণৰ সিদ্ধান্তক লৈ টিএমচিৰ প্ৰাক্তন বিধায়ক হুমায়ুন কবীৰক তীব্ৰ সমালোচনা কৰি বিজেপি শাসিত ৰাজ্যত এনে ঘটনা নহয় বুলি উল্লেখ কৰে। কলকাতাত এতিয়া হুমায়ুনৰ দৰে লোকে বাবৰি মছজিদ নিৰ্মাণৰ কথা কয়। এয়া হুমায়ুনৰ পৈত্ৰিক সম্পত্তি নহয়। এই পশ্চিমবংগ বাবৰৰ ঠাই নহয়, এয়া ৰবীন্দ্ৰনাথ ঠাকুৰৰ স্থান। মমতা বেনাৰ্জীৰ বাবেই হুমায়ুনৰ দৰে লোকে বাবৰি মছজিদ নিৰ্মাণৰ হুংকাৰ দিব পাৰে। অসমত এই হুংকাৰ দিলে তাক শেষ কৰি দিয়া হ'ব। আৰক্ষী থানাত হাজিৰ হ'ব লাগিব। পশ্চিমবংগত যদি নিৰ্মাণ হ'ব লাগে তেন্তে সেয়া হ'ব কৃষ্ণৰ মন্দিৰ, ৰামৰ মন্দিৰ। বিজেপি চৰকাৰ হ'লে পশ্চিমবংগ সীমান্তত বৈদ্যুতিক ফেঞ্চিং দিয়া হ'ব, কোনো বাংলাদেশী ( দহ পৃষ্ঠাত চাওক)

# পৱন খেড়াৰ জামিনত স্থগিতাদেশ উচ্চতম ন্যায়ালয়ৰ



ৰঙিলী বাৰ্ত্তাসেৰা- তেলংগানা উচ্চ ন্যায়ালয়ে কংগ্ৰেছ নেতা তথা ৰাষ্ট্ৰীয় মুখপাত্ৰ পৱন খেড়াক প্ৰদান কৰা অন্তৰ্বৰ্তীকালীন জামিনৰ নিৰ্দেশত বুধবাৰে উচ্চতম ন্যায়ালয়ে স্থগিতাদেশ জাৰি কৰে । মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ পত্নী ৰিণিকি ভূঞা শৰ্মাই পৱন খেড়াৰ বিৰুদ্ধে দাখিল কৰা এক এজাহাৰৰ ভিত্তিত খেড়াৰ বাবে এই আইনী বিবাদৰ সূত্ৰপাত ঘটিছিল। ৰিণিকি ভূঞা শৰ্মাৰ হাতত একাধিক দেশৰ পাছপোৰ্ট থকা বুলি খেড়াই ভুৱা তথ্যৰে কৰা অপপ্ৰচাৰৰ পাছতেই গুৱাহাটীত এই গোচৰটো ৰুজু কৰা হৈছিল। বুধবাৰে অসম চৰকাৰে জনোৱা আবেদনৰ শুনানি গ্ৰহণ কৰি ন্যায়াধীশ জে কে মাহেশ্বৰী আৰু ন্যায়াধীশ এ এছ চান্দুৰকাৰৰ দুজনীয়া বিচাৰপীঠে ১০ এপ্ৰিলত তেলংগানা উচ্চ ন্যায়ালয়ে দিয়া নিৰ্দেশনাক লৈ তীব্ৰ বিস্ময় প্ৰকাশ কৰে। বিচাৰপীঠে স্পষ্ট কৰি দিয়ে যে ( নপৃষ্ঠাত চাওক)

# দশম শ্ৰেণীৰ চিবিএছই পৰীক্ষাৰ ফলাফলত ডিব্ৰুগড়ৰ শিক্ষাভেলী বিদ্যালয়ৰ ছাত্ৰী ৰীভা সিংঘানিয়াই ৯৯.৪% নম্বৰ লাভ কৰিছে

ৰঙিলী বাৰ্ত্তাসেৰা- ডিব্ৰুগড়ৰ শিক্ষা ভেলী বিদ্যালয়ে ২০২৬ চনৰ চিবিএছই ব'ৰ্ড পৰীক্ষাত দশম শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীসকলৰ অসাধাৰণ ফলাফল ঘোষণা কৰি গৌৰৱ অনুভৱ কৰিছে। বিদ্যালয়খনে ইয়াৰ শৈক্ষিক উৎকৰ্ষতাৰ পৰম্পৰা অক্ষুণ্ণ ৰাখি এইবছৰো ১০০% উত্তীৰ্ণ ফলাফল লাভ কৰিছে। মুঠ ৮০ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে পৰীক্ষাত অৱতীৰ্ণ হৈছিল আৰু তেওঁলোকৰ এই প্ৰশংসনীয় ফলাফলে ছাত্ৰ-ছাত্ৰী, শিক্ষক আৰু অভিভাৱকৰ একত্ৰিত প্ৰচেষ্টাৰ প্ৰতিফলন দাঙি ধৰে। বিদ্যালয় খনৰ শীৰ্ষস্থান অধিকাৰ কৰিছে ৰীভা সিংঘানিয়াই, তেওঁ ৯৯.৪% নম্বৰ লাভ কৰি বিদ্যালয়খনত প্ৰথম স্থান অধিকাৰ কৰিছে। সামগ্ৰিক ফলাফলতো উল্লেখযোগ্য সাফল্য দেখা গৈছে আৰু ইয়াৰে ২৫ জন ছাত্ৰ-ছাত্ৰীয়ে ৯০%ৰ ওপৰত নম্বৰ লাভ কৰিছে, ২৯ জনে ৮০%ৰ পৰা ৮৯%ৰ ভিতৰত নম্বৰ পাইছে। অৰ্থাৎ, মুঠ ছাত্ৰ-ছাত্ৰীৰ দুই-তৃতীয়াংশতকৈ অধিকেই ৮০%ৰ ওপৰত নম্বৰ লাভ কৰিছে।এই অসাধাৰণ সফলতাৰ বাবে স্কুল কৰ্তৃপক্ষই উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলক অভিনন্দন জনায়। ডিব্ৰুগড়ৰ আমোলাপট্টি ৰে'লগেট নিবাসী পৱাগ এম. সিংঘানিয়া আৰু নন্দিনী সিংঘানিয়াৰ কন্যা ৰীভা সিংঘানিয়াই ভৱিষ্যতে এগৰাকী সফল চিকিৎসক হোৱাৰ সপোন পুহি আছে। তেওঁৰ এই সফলতাৰ বাবে পিতৃ মাতৃ আৰু স্কুল কৰ্তৃপক্ষক ধন্যবাদ জ্ঞাপন কৰে।



# অসমত পেট্ৰল-ডিজেল

ভিতৰত ১, ৪৬১টা কেন্দ্ৰ বিভিন্ন তেল বিপণন কোম্পানীৰ দ্বাৰা পৰিচালিত হোৱাৰ লগতে ২৭৬টা ব্যক্তিগত কোম্পানীৰ দ্বাৰা পৰিচালিত। এই খুচুৰা বিক্ৰীকেন্দ্ৰসমূহৰ জৰিয়তে দৈনিক প্ৰায় ২৯৩৫ কিলোলিটাৰ পেট্ৰ'ল আৰু ৩, ৬৭০ কিলোলিটাৰ ডিজেল ৰাইজক যোগান ধৰি থকা হৈছে। সম্প্ৰতি ৰাজ্যত জনসাধাৰণৰ মাজত চলি থকা আশংকাৰ প্ৰতি লক্ষ্য ৰাখি চাহিদা অনুসাৰে ৮দিনৰ পেট্ৰ'ল আৰু ৪৬ দিনৰ ডিজেল পৰ্যাপ্ত পৰিমাণে মজুত কৰি ৰখা হৈছে। ৰাইজে কোনোধৰণৰ উৰাবাতৰি বিশ্বাস নকৰাকৈ আতংকিত নোহোৱাকৈ পেট্ৰ'ল-ডিজেল ক্ৰয় কৰিবলৈ তেওঁ পৰামৰ্শ দিয়ে। একেদৰে ৰন্ধন গেছৰ ক্ষেত্ৰত ৰাজ্যত ৬টা তেল বিপণন কোম্পানীৰ মালিকানাধীন আৰু এটা ব্যক্তিগত প্ৰতিষ্ঠানৰ মালিকানাধীন ৬০৪টা এলপিজি বিতৰক কেন্দ্ৰ আছে। গড়ে দৈনিক প্ৰায় ১, ৩৯,০০০ এলপিজি ৰিফিল কৰাৰ লগতে নিৰ্ধাৰিত বুকিং অনুসৰি প্ৰায় ৫ দিনৰ ভিতৰত ৰন্ধন গেছৰ চিলিণ্ডাৰ গ্ৰাহকক যোগান দি থকা হৈছে। কোনোধৰণৰ অচলাৱস্থা ৰন্ধন গেছৰ চিলিণ্ডাৰৰ ক্ষেত্ৰত বৰ্তমানলৈকে সৃষ্টি হোৱা নাই বুলি দাবী কৰি ভাটনাগৰে কয় যে এলপিজি সেৱাৰ ডিজিটাইজেচনৰ ক্ষেত্ৰত বিগত সময়ছোৱাত যথেষ্ট অগ্ৰগতি হৈছে। দুমাহ পূৰ্বৰ ৪৯ শতাংশৰ তুলনাত বৰ্তমানে ডিজিটেল প্লেটফৰ্মৰ জৰিয়তে ৮৪ শতাংশ বুকিং সম্পন্ন কৰা হৈছে। অৱশ্যে ইয়াৰ মাজতো ৰাজ্যৰ বিশেষকৈ গ্ৰামাঞ্চলৰ বিভিন্ন গেছ এজেঞ্চীত প্ৰতিদিনে হোৱা ৰাইজৰ দীঘলীয়া শাৰীৰ কাৰণ সন্দৰ্ভত সাংবাদিকে সোধা প্ৰশ্নৰ উত্তৰত তেওঁ কয় যে পিএমইউৱাই (উজ্জ্বলা) আঁচনিৰ অধীনৰ গ্ৰাহকৰ বাবে সম্প্ৰতি ই-কেৱাইচি বাধ্যতামূলক কৰা হৈছে। বহুসংখ্যক গ্ৰাহকে পূৰ্বতে নিজৰ গেছ সংযোগৰ ই-কেৱাইচি আপটুডেট নকৰাৰ পৰিপ্ৰেক্ষিতত চিলিণ্ডাৰৰ যোগান দিব পৰাটো সম্ভৱপৰ হোৱা নাছিল। যিহেতুকে কেন্দ্ৰীয় পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ে ই-কেৱাইচি বাধ্যতামূলক কৰিছে, গতিকে ইয়াৰ পৰিপ্ৰেক্ষিতত এই দীঘলীয়া শাৰীৰ সৃষ্টি হৈছে। অৱশ্যে সাধাৰণ ঘৰুৱা ৰন্ধন গেছ ব্যৱহাৰকাৰী গ্ৰাহকৰ ক্ষেত্ৰত এই সমস্যাৰ সৃষ্টি হোৱা নাই। অকল পিএমইউৱাই আঁচনিৰ গ্ৰাহকৰ ক্ষেত্ৰতেই নহয়, যিসকল নিয়মীয়া গ্ৰাহকে ৯মাহ পৰ্যন্ত চিলিণ্ডাৰ ক্ৰয় কৰা নাই, তেওঁলোকৰ বাবেও ই-কেৱাইচি বাধ্যতামূলক কৰা হৈছে। আনহাতে পিএনজি খণ্ডত ৰাজ্যখনত লোৱা পদক্ষেপৰ কথা দোহাৰি নিগমৰ কাৰ্যবাহী সঞ্চালক ভাটনাগৰে কয় যে ৰাজ্যত বৰ্তমানে প্ৰায় ৭৩ হাজাৰটা ঘৰুৱা পিএনজি সংযোগ দিয়া হৈছে। অসম চৰকাৰে অধিক সম্প্ৰসাৰণৰ বাবে এখন ৰাজহুৱা জাননী জাৰি কৰিছে। ইতিমধ্যে পাইপলাইন আন্তঃগাঁথনি উপলব্ধ থকা অঞ্চলসমূহত প্ৰায় ১২, ৫০০টা নতুন সংযোগ প্ৰদানৰ পৰিকল্পনা নিগমে গ্ৰহণ কৰিছে। এই পদক্ষেপ সম্পূৰ্ণৰূপে কাৰ্যকৰী হৈ উঠিলে এলপিজি চিলিণ্ডাৰৰ ওপৰত থকা নিৰ্ভৰশীলতা হ্ৰাস পোৱাৰ লগতে ৰন্ধন গেছৰ যোগান চহৰ অঞ্চলত অধিক ত্বৰান্বিত হ'ব বুলি তেওঁ আশা কৰিছে। মজুতকৰণ আৰু অবৈধ বজাৰ নিয়ন্ত্ৰণ কৰিবলৈ বিগত মাহত তেল কোম্পানীৰ বিষয়াসকলে ৰাজ্য চৰকাৰৰ সহযোগিতাত ৩১৯টা পৰীক্ষা সম্পন্ন কৰিছে।

# গৰু বিহুৰ দিনা কৃষ্ণাই নৈত সলিল সমাধি দুই যমজ ভাতৃৰ



ৰঙিলী বাৰ্ত্তাসেৰা- হেঁপাহৰ ৰঙালী বিহুৰ আনন্দ-উল্লাসৰ মাজতে গৰু বিহুৰ দিনা কৃষ্ণাই নৈত গো-ধনক গা ধুৱাবলৈ গৈ নৱম শ্ৰেণীত অধ্যয়নৰত দুই যমজ ভাতৃৰ সলিল সমাধি। জানিব পৰামতে, জিলাখনৰ মৰনৈ থানাৰ অন্তৰ্গত টেঙাবাৰী গাঁওনিবাসী অতি দৰিদ্ৰ পৰিয়াল নিশিমোহন নাথ আৰু জোনালী নাথৰ দুই যমজ সন্তান তথা দহিকটা ভোজমালা হাইস্কুলৰ নৱম শ্ৰেণীৰ ১৫ বছৰীয়া ছাত্ৰদ্বয় দীপাংকৰ নাথ আৰু দেৱাশিস নাথ গৰু বিহুৰ দিনা পুৱা ৭ মান বজাত পৰিয়ালৰ আত্মীয়ৰ সৈতে কৃষ্ণাই নৈত গৰু গা ধুৱাবলৈ গৈছিল। গৰু গা ধুৱাই থকাৰ সময়তে হঠাৎ নৈৰ মাজত থকা দ' গাঁতত সোমাই যায় দুয়ো ভাতৃ। তাৰ পাছত ইজনে আনজনক উদ্ধাৰ কৰাৰ চেষ্টা কৰে যদিও দুয়ো সাবটা সাবটিকে ধৰি পানীৰ তলত সোমোৱাই যায়। ইফালে সেই সময়ত ঘটনাস্থলীত দুই ভাতৃৰ ককাক নিবাৰণ নাথৰ বাদে আন কোনো উপস্থিত নাছিল। নাতি ল'ৰা দুটা নৈৰ পৰা উঠি ঘৰত যোৱাৰ কথা অনুমান কৰি ঘৰলৈ উভতি আহিছিল। পিছে বহু সময় ধৰি ঘৰৰ ল'ৰা ঘৰত উপস্থিত নোহোৱাত পৰিয়ালৰ লোকে কোনো বন্ধুৰ ঘৰত দুয়ো যোৱাৰ সন্দেহ কৰি বিচাৰ-খোচাৰ কৰে যদিও কোনো শুংসূত্ৰ নাপায়। ফলত এক হাহাকাৰ পৰিৱেশৰ সৃষ্টি হয়। পিছত মৰনৈ আৰক্ষীক খবৰ দিয়াৰ লগতে স্থানীয় ৰাইজে নৈত জাল লৈ, পানীত ডুবি সন্ধান আৰম্ভ কৰে। পাছত এছডিআৰএফ বাহিনী উপস্থিত হৈ নৈত উদ্ধাৰ অভিযান চলাই মৃতদেহ দুটা উদ্ধাৰ কৰে।

# জুবিন দা বিহীন ৰঙালী বিহু



**ৰাখী মণি কলিতা,হাজৰিকাপাৰা, দৰং**

হেঁপাহৰ ৰঙালী বিহু পালেহি, কিন্তু এইবাৰ বিহুত নাই অসমৰ হিয়াৰ আমঠু জুবিন গাৰ্গৰ মায়াৱী কণ্ঠ ।

অসমৰ জীৱন-সংস্কৃতিৰ সৈতে অতি নিবিড়ভাৱে জড়িত উৎসৱ হৈছে ৰঙালী বিহু। এই বিহু কেৱল উৎসৱ নহয়, ই অসমীয়াৰ জীৱনৰ আনন্দ, আশা আৰু নতুনত্বৰ প্ৰতীক। ঢোল-পেঁপাৰ মিঠা সুৰ, গগনভেদী “বিহু নাম”, ডেকা-গাভৰুৰ বিহুনাচ-এই সকলোবোৰে মিলি ৰঙালী বিহুক এক অনন্য ৰূপ দিয়ে। কিন্তু এইবাৰ সেই আনন্দ ম্লান কাৰণ জুবিন দা যে নাই ।

জুবিন দা অসমীয়া সংগীত জগতৰ এক উজ্জঞ্জ্বল নক্ষত্ৰ। তেওঁৰ কণ্ঠৰ যাদু আৰু গীতৰ গভীৰ অনুভূতিয়ে মানুহৰ হৃদয় স্পৰ্শ কৰে। বিহুৰ সময়ত তেওঁৰ গীতসমূহে উৎসৱৰ আনন্দক বহু গুণে বৃদ্ধি কৰে। “বিহু নাম”, “বিহু গীত” তেওঁৰ সৃষ্টিবোৰে প্ৰতিখন ঘৰ, আৰু প্ৰতিখন মঞ্চক সজীৱ কৰি তোলে। কিন্তু এইবাৰ সকলোবোৰ ব্যতিক্ৰম। মঞ্চৰ আগত বোকাত বাগৰি, গছত উঠি নচা সকলো নিয়ম ভাঙি উল্লাস কৰা যুৱকসকল এইবাৰ নীৰৱ।

ৰঙালী বিহুৰ মঞ্চত জুবিন দাৰ উপস্থিতি যেন এক বিশেষ আকৰ্ষণ। তেওঁৰ লাইভ প্ৰদৰ্শন চাবলৈ আৰু শুনিবলৈ হাজাৰ হাজাৰ লোকে মানুহে একেলগে সমবেত হয়। তেওঁৰ গীতত মানুহে নিজৰ সংস্কৃতি, ভালপোৱা আৰু আবেগ বিচাৰি পায়।

কিন্তু এইবাৰ ৰঙালী বিহু জুবিন বিহীন, তেওঁৰ অবিহনে সকলোৰে জীৱনত শূন্যতাৰ সৃষ্টি কৰিছে।মঞ্চত তেওঁৰ শক্তিশালী মায়াৱী কণ্ঠ আৰু উদ্দীপনাৰ অভাৱত ৰঙালী বিহুৰ উৎসৱৰ উল্লাস কমি গৈছে ।বিশেষকৈ যুৱ প্ৰজন্মৰ বাবে তেওঁৰ অনুপস্থিতি অধিক অনুভৱযোগ্য হৈছে।

জুবিন দাৰ অৱদান ৰঙালী বিহুত অবিস্মৰণীয় ।জুবিন দা বিহীন এয়া প্ৰথম ৰঙালী বিহু, কিন্তু নাই কোনো আনন্দ, উল্লাস, তুমি বিহীন ৰঙালী বিহু অসম্পূৰ্ণ হৈ ৰ'ব। তোমাৰ সৃষ্টিৰে চিৰদিন জিলিকি ৰ'বা অসমীয়াৰ হৃদয়ৰ মাজত জুবিন দা।

# জুবিনদা, নাহৰ জোপা ফুলিবনে



**ৰাহিদ আহমেদ,কাটাৰ, ডোহা**

জুবিনদা নথকা প্ৰথমটো ব'হাগ
মৰহি যোৱা মনৰ
কিমান যে প্ৰত্যাশা
ভাষাবোৰ মনতে নপৰে
জুবিনদা বুলিলে চকুলো সৰে,
জুবিনদাৰ দেশত বসন্ত আহিছে
ৰাংঢালীৰ ব'হাগ ৰঙালী হৈ অহা নাই
এইবাৰ ব'হাগ উকা সাজত
বন্তি জ্বলাই জাতিক
একত্ৰিত কৰি জগাবলৈহে আহিছে,
জুবিনদাৰ নাহৰ জোপা ফুলিছে
ৰঙালীৰ আকাশখনত কিন্তু
ব'হাগবোৰ আমনজিমনকৈ আছে,
জুবিনদাৰ অনুপস্থিতিত
ব'হাগবোৰ ৰঙীন হোৱা নাই,
মনৰ মাজত দুখৰ সমাধিয়ে
এটা কথাকে কৈছে
সোণাপুৰত ব'হাগৰ ৰাতিবোৰে
উচুপি উচুপি কান্দিছে,
সেয়ে আগৰ দৰে ৰঙালীবোৰে
অসমীয়াৰ বুকুত গজালি মেলা নাই
নাহৰ তগৰ ফুলিছে যদিও
ৰঙালীৰ দৰে সুবাস বিলোৱা নাই
জুবিনদাৰ বুকুত ফুলা নাহৰজোপা
আৰু অসমীয়াৰ বুকুত গজি উঠা
নাহৰজোপা একেই নহয়,
জুবিনদাৰ নাহৰজোপা জাতিৰ শিপা,
জাতিৰ বুকুত গজি উঠা জোপা আবেগ
এতিয়া সময় শিপাক খামুচি ধৰাৰ
এই সময় শিপাডাল মজবুতকৈ
আৱৰি ৰখাৰ...
এই শিপাডালত আমি লিখিম
জাতীয় জীৱনৰ ভৱিষ্যত
ইয়াত লিখিম ঐক্যৰ এনাজৰী
জুবিনদাৰ দেশত নাহৰবোৰ
জুবিন হৈ ফুলক
নাহৰৰ গোন্ধই জাতিক জগাওঁক
নাহৰৰ ৰঙবোৰ
জুবিনদাৰ দৰেই বিয়পি পৰক
আবেগৰ পৰা হৃদয়লৈকে

# প্ৰাণৰ বহাগ

**দৰ্শনা দত্ত, দেৰগাঁও, গোলাঘাট**

“চ'তে গৈয়ে গৈয়ে বহাগে
পালেহি
ফুলিলে ভেবেলি লতা,
কৈনো কৈ থাকিলে ওৰকে
নপৰে
বহাগৰ বিহুৰে কথা ।”

ফাগুনে লঠঙা কৰা প্ৰকৃতিক নতুন সাজ পিন্ধাবলৈ প্ৰকৃতিৰ বুকুলৈ আহিল বসন্ত ।ধূলিৰ আৱৰণ গুচাই পৃথিৱীক শ্যামল কৰিবলৈ মেঘৰ পৰা নামি আহিছে আশা আৰু হেঁপাহৰ বৰষুণজাক ।ন সজ্জীৱতাৰে গছৰ ডালে ডালে হাঁহি মাৰিছে কুঁহি পাতবোৰে । কৃষ্ণচূড়াৰ ডালত পৰি কুলিজনীয়েও কৰিছে নৱ বসন্তক আলিংগন। প্ৰেমৰ সুগন্ধি বিলোৱা কপৌফুল পাহেও নিজৰ সৌন্দৰ্য্যতাৰে কৰি তুলিছে চাৰিওদিশ সুশোভিত ।ঢোলৰ চাপৰ, পেঁপা-গগনাৰ মাতে চাৰিওফালে সৃষ্টি কৰিছে ৰঙীন পৰিৱেশৰ। এনেদৰেই বসন্তৰ নৱগানে চৌদিশে আনিছে আনন্দ আৰু উলাহৰ বন্যা।

“ব'হাগ মাথোঁ এটি ঋতু নহয়
নহয় ব'হাগ এটি মাহ,
অসমীয়া জাতিৰ
ই আয়ুস ৰেখা
গণ জীৱনৰ ই সাহ ।”



বহাগ - মাথোঁ এটি মাহ নহয়। বহাগ হ'ল প্ৰতিজন অসমীয়াৰ প্ৰাণবিন্দু । বহাগে আনে নতুন সৃষ্টি। সৃষ্টি নৱ উন্মেষণ কেৱল প্ৰকৃতিতে নহয়, ই মানুহৰ জীৱনকো সামৰি লয় ।এই সৃষ্টিৰ বতৰা আনে হেঁপাহৰ ৰঙালী বিহুটিয়ে। বিহু অসমীয়া সমাজৰ কৃষি পৰম্পৰাৰ লগত জড়িত অবিচ্ছেদ্য অংগস্বৰূপ। অসমীয়া চহা জীৱনৰ মূল বিশেষত্বৰ অস্তিত্ব নিহিত হৈ থাকে বিহু উদযাপনৰ অন্তৰালত। বিহু কেৱল অসমীয়া জনজীৱনতে নহয়, অসমৰ প্ৰতিটো জনগোষ্ঠীক সামৰি বিহুৰ সুকীয়া ৰূপ আৰু স্বকীয়তা আছে। যি স্বকীয়তাত থাকে সমন্বয়, ঐতিহ্য আৰু একতাৰ বান্ধোন । বিহু গীতৰ সুৰত কোৱা হৈছে -

“বিহু আনন্দীয়া বিহু বিনন্দীয়া
বিহুটি অসমৰ প্ৰাণ,
এনুৱা বিহুটি এৰিব লাগিলে
নাথাকে অসমৰ মান।”

আনহাতে, বিহু মানেই ডেকা - গাভৰুৰ প্ৰেম, আশা- আকাংক্ষাক উজ্জীৱিত কৰাৰ এক উৎসৱ। চেনাইলৈ বুলি নাচনীয়ে অতি হেঁপাহেৰে তাঁতশালত বহি গুটিফুলৰ গামোচা বয় ।নাচনীয়ে নেঘেৰী খোপাত কপৌফুল গুজি, সুগন্ধিময় জেতুকাৰে দুয়োহাত ৰঙীন কৰি, গাত মুগাৰ সাজ, হাতত গামখাৰু, ডিঙিত জোনবিৰি, ঢোলবিৰি, গলপতা আদি পৰিধান কৰি বিহুৰ তলিলৈ আহে আৰু ঢুলীয়াৰ ঢোলৰ চেৰে চেৰে কঁকাল ভাঙি নাচি আনন্দত আত্মহাৰা হয়। বিহুৰ তলিতে ডেকা গাভৰুৰ হৃদয়ৰ মিলন হয়। বিহুৰ তলিত নাচনীলৈ উদ্দেশ্যি বিহুৱাই গাই -

“নামদাং নৈ ভেটিব জেঙে
জাবৰে
দিখৌ নৈ ভেটিব কোনে
ভগা খুলাকটি কুমাৰে গঢ়িব
তোমাকনো গঢ়িব কোনে?”

বিহু অসমীয়া সমাজৰ প্ৰাণকেন্দ্ৰস্বৰূপ তথা আপুৰুগীয়া সম্পদ। বহাগে ছটিয়াই আশা প্ৰতিশ্ৰুতিৰ বীজ। বহাগে আনে আশাৰ ৰেঙণি । বিহু থকালৈকে অসমীয়াৰ অস্তিত্ব অনন্য ৰূপত চিৰদিন জিলিকি থাকিব।


# এনেকৈ নক'বা দেই



অন্নপূৰ্ণা বৰা, যোৰহাট

বাখৰুৱা সপোনেৰে
উদুলি মুদুলি
মনৰ পদুলি
তোমাৰ বুকুৰ গভীৰতাত
হেৰুৱাই নিজৰ ছন্দ
তুমি মই পৰা আমি হোৱা ক্ষণৰ
নিৰৱ, নিমাত সময়
নাইনিতাল অথবা চেৰাপুঞ্জীৰ
বৰফৰ আলয়ত
ন -সপোনৰ গুঞ্জন
কি ভাষাত প্ৰেম হয়
আৱেগত ভিজা কলিজাত
হৃদয়ত জীপাল হয়
শব্দবিহীন সুৰৰ আঘোন
আকাশলৈ চোৱা
নিলাজী জোনটোৰেও
লাজে লাজে
ডাৱৰৰ আঁচলত লুকাই
তোমাৰ বুকুৰ গভীৰতাত
সিচৰিত কৰি মোৰ ঠিকনা
এবুকু মৰম এসাগৰ ভাৱনাত
কেৱল মাথো তোমাৰে অনুৰণন

# সুৰ বিহীন ব'হাগ



মীনাক্ষী গোস্বামী

সুৰ বিহীন ব'হাগ যেন এটি আধৰুৱা স্বপ্ন
বিষাদেৰে ভৰি উঠা
প্ৰতিটো মুহূৰ্তই উকা উকা-
এতিয়া কেউকাষে কেৱল নিস্তব্ধ বেদনা.,
অনুভৱী মনবোৰে নীৰৱে উচুপি উঠে.
"-হঠাতেই হেৰাল আমাৰ চোতাল ৰ জোনাক"।
হৃদয় কঁপাই নামি আহে
এটি বিষণ্ণ, হুমুনিয়াহ ।
অশ্ৰুসিক্ত আকাশ আজি শব্দহীন, বাকৰুদ্ধ।
প্ৰতিটো পলে বিচাৰি ফুৰে হেৰোৱা সেই মৰমৰ কণ্ঠ।

# ঘৰৰ কাম কেৱল মহিলাৰ দায়িত্ব নে? পুৰুষেও সমানে সমানে ভাগ লোৱা উচিত?



অনামিকা (সংগীতা)কলিতা, শুৱালকুছি

বিষয়টো দেখি হৃদয় স্পৰ্শ কৰিলে হাতত কলমটো উঠাই লৈছোঁ। এখন ঘৰ সুন্দৰ ভাবে পৰিচালনা কৰিবলৈ হ'লে পুৰুষ/মহিলা মানে স্বামী/স্ত্ৰীৰ সমান সহযোগিতা লাগে। ঘৰুৱা সকলো কাম অকল মহিলা গৰাকীয়ে কৰিব পুৰুষজনে পুৰুষত্বৰ মই মতালি কৰি থাকিলে তেনে ঘৰ নৰক সদৃশ হ'ব।

আগৰ দিনত পুৰুষ সকলে ঘৰুৱা দায়িত্ব লোৱা নাছিল কেৱল মহিলাসকলে পালন কৰিছিল। কাৰণ ঘৰুৱা উপাৰ্জনৰ কাৰণে পুৰুষজন বাহিৰলৈ ওলাই যাব লগা হৈছিল। সেই সময়ত প্ৰায়ভাগ মহিলা যিহেতু ঘৰৰ চাৰিবেৰৰ মাজত আৱদ্ধ গতিকে ঘৰুৱা সকলো কাম মহিলা গৰাকীয়ে কৰিব লগা হৈছিল আৰু তেনেকৈয়ে সমিলমিলেৰে চলি গৈছিল।

বৰ্তমান যান্ত্ৰিকতাৰ যুগত সকলো সলনি হৈছে। এতিয়া পুৰুষজন আৰু মহিলাগৰাকী সমানে কৰ্ম কৰিব লাগে তেতিয়াহে ঘৰখন সুচাৰুৰূপে চলিব পাৰে। দুয়োগৰাকীয়ে একেলগে কৰ্মশীল হ'লেহে পৰিয়ালৰ ভৰণ পোষণ দিব পাৰে তাৰ কাৰণে দুয়ো সমানে সহযোগিতা কৰিব লগা হয় ঘৰুৱা কামতো। এয়া কোনো বেয়া কথা নহয়। পুৰুষ আৰু প্ৰকৃতিৰ সংমিশ্ৰণ হ'লেহে পৰিপূৰ্ণ হয় ঠিক তেনেকৈ এজনে আনজনৰ সহায় ল'ব লাগিব তেতিয়াহে ঘৰখন স্বৰ্গৰ অমৰাৱতীলৈ ৰূপান্তৰিত হ'ব। সন্তানৰ দায়িত্ব, বজাৰ সমাৰ, আলহী অতিথি, বৃদ্ধ পিতৃ-মাতৃৰ দায়িত্ব সকলো কৰিব লাগিলে স্বামী-স্ত্ৰী মানে পুৰুষ/মহিলা সহযোগ গুৰুত্বপূৰ্ণ।

# কুমলীয়া কুঁহিপাতৰ মাজত বসন্তৰ কোবাল সোতত বহাগ বিহু

নমিতা দাস
শুৱালকুছি



বসন্তৰ আগমনে ধৰা লৈ নমাই আনিলে লঠঙা ডালত কোমল কুঁহিপাত, সেউজীয়া প্ৰকৃতিয়ে ৰঙালীৰ ৰঙেৰে উৰবাউল কৰিলে। ৰঙালী বিহু সমাগত চাৰিও ফালে উচ্ছাস উদ্দিপনা বিহুক আদৰাৰ।

বাপতি সাহোন বিহুটি অসমীয়া জাতিৰ আটাইৰে আবেগৰ। নিজৰ সংস্কৃতিৰ পৰিচয়ৰ লগত জড়িত হৈ থকা বিহুটো অতীজৰে পৰা চলি অহা। বিহুৰ উৎপত্তি সম্পৰ্কে বিভিন্ন পণ্ডিতে বিভিন্ন মত পোষণ কৰা দেখা যায় । বিহু শব্দটি বিষুব শব্দৰ পৰা অহা বুলি কয়। আকৌ বড়ো ভাষাৰ বৈখ্যৃ শব্দৰ পৰাও বিহু শব্দৰ উৎপত্তি হোৱা বুলি বহু পণ্ডিতে কয় যি শব্দৰ পৰাই বিহু শব্দৰ উৎপত্তি নহওঁক জাতীয় জীৱনৰ আশা -আকাংক্ষা, উল্লাহ, ৰং -আনন্দ অনুভূতি বিহুৰ লগত ওতঃপ্ৰোতহ ভাবে জড়িত। এক কথাত বিহু হৈছে অসমীয়া জাতিৰ প্ৰাণ। বিহুক বাদ দি অসমীয়া জাতিৰ কৃষ্টি সংস্কৃতি সভ্যতা আন নালাগে সাহিত্যৰ বৰ মজিয়া খনো উৰুঙা হৈ পৰিব।

বিহু অসমীয়াৰ প্ৰাণ, প্ৰতিজন অসমীয়াৰ শীৰাই শীৰাই প্ৰবাহিত হৈ আছে বিহু। বাপতি সাহোন বিহুটি বছৰত আমি তিনিবাৰ পালন কৰোঁ যদিও বহাগ বা ৰঙালী বিহু আৰু মাঘ বা ভোগালী বিহুত হে বৰ্তমান প্ৰতিজন লোকে জড়িত হৈ আছে কাতি বা কঙালী বিহু সাধাৰণতে গাওঁ অঞ্চলত হে বেছিকৈ পালন কৰা হয়। মানুহে কৃষিক মূল জীবিকা কৰি লোৱাৰ পৰাই খেতি চপোৱাৰ সময়ত আনন্দ কৰিছিল সিয়েই পিছলৈ বিহুৰ ৰূপ পালে। বছৰত তিনিবাৰ খেতি চপোৱা বাবে তিনিটা বিহু পালন কৰাত আগৰ দিনত চ'তৰ মাহত খেতি চপোৱা সময়তে উল্লাহ আনন্দেৰে হাঁহি ফূৰ্তি কৰি গান গাই নাচিছিল সেই নাচেই বিহুলৈ ৰূপান্তৰ ঘটিল। তেতিয়া ৰাতি পথাৰত চাকি জ্বলাই লৈ পথাৰতে নাচ গানত মতলীয়া হৈছিল । লাহে লাহে দেউৰী বা পূজাৰীৰ চোতালত বিহু নাম গাই বিহু নাচ উৎযাপন কৰে।

১৬ শতিকাত মহাপুৰুষ শঙ্কৰ দেৱে সত্ৰীয়া সংস্কৃতিৰে বিহুৰ কিছু ৰীতি-নীতি প্ৰয়োগ কৰাৰ পিছৰ ৰুদ্ৰসিংহৰ দিনত ৰংঘৰৰ বাকৰিত বিহু উৎযাপন কৰা হয়। স্বৰ্গদেউৰে হুঁচৰি বিহুৱা সকলৰ ওচৰত আঠু লৈ সেৱা জনাইছিল । পিছলৈ ৰজা ঘৰীয়া পাত্ৰ মন্ত্ৰীৰ লগতে (আঠপৃষ্ঠাত চাওক)

# এনেকৈয়ে বাৎসৰিক শীত, বসন্ত আহে



**নীলমণি গগৈ**

এনেকৈয়ে বাৎসৰিক
বসন্ত আহে ফুল ফুলে
সুবাস বিলায়, উৰে
ফুলৰ পাহে পাহে
বিৰিখে ন-সাজ পিন্ধে
শোভন কৰে কিশলয়ে
মিচিকি হাঁহে
বিৰিখৰ ডালে
ন-উলাহেৰে বাসন্তীৰ
মেলা পাতে
বাসন্তী বিহগ-বিহগীয়ে,
জীৱন যৌৱনৰ ডিঙা
উটি ভাঁহি যায় লুইতত
উটুৱাই নিয়ে ক্ষিপ্ৰ সোতে
দক্ষিণা, পছোৱা সমীৰৰ
বহল বুকুত আশাৰ পালখনি
প্ৰভাতী বিভাতো নাচে
জীৱন যৌৱনৰ উতলা বা
আহে বৈ সকলোৰে বাবে
অনন্ত হেঁপাহ জগাই
নাচি উঠে পৰাণে,
তাতে এদিন তালৈ শীত আহে
শীতৰ শীতাৰ্ত লগনত
বিৰিখৰ জৰাজীৰ্ণ শীৰ্ণ ডালৰ
পাতবোৰ সৰি সৰি পৰে
বিৰিখৰ সৌন্দৰ্য ম্লান পৰে,
নতুন দিনৰ অপেক্ষাত থকা
বিৰিখ-বল্লীয়ে হেনো জানে
শীতৰ দিন উকলি গ'লে
ৰঙালী বাসন্তী লগন আহে
প্ৰকৃতিৰ বুকুলে
সেউজীয়াৰ সেউজীয়া হ'বলে
মাথো প্ৰাণী কুলৰ জীৱনলৈ
আহে জানো ৰঙৰ ৰঙালী দিন
কিম্বা জীৱন যৌৱনৰ বসন্ত ঋতু
বাসন্তী লগন বাৰে বাৰে?
নাহে এবাৰ আহি গ'লে,
এই যে প্ৰকৃতিত নিবন্ধ নিয়ম,
যি নিয়ম সকলোৱে মানিবই লাগে।

# আত্মস্নেহ

**হেৰম্ব নাথ**

জীৱনৰ প্ৰতি অসীম শ্ৰদ্ধা-ভালপোৱা আছে বাবে সময়ক সোণতকৈয়ো মূল্যবান বুলি গণ্য কৰোঁ। সেয়ে, ভাবিবলৈ বাধ্য হৈছোঁ যে মোৰ জীৱন আৰু সময়ঃ এটা আত্মোন্নয়নৰ অমোঘ মন্ত্ৰ! এই মন্ত্ৰ জপ কৰি প্ৰতিপল সময়ক উজ্জীৱিত কৰাৰ প্ৰয়াস কৰিছোঁ অবাৰিত গতিত।

তদুপৰি, আত্মস্নেহে কৰ্মস্পৃহাক তাগিদা দিছে যে কৰ্মৰ কোনো বিকল্প নাই। আকৌ, আত্মবিশ্বাসে যেনিবা অনুৰাগী মনক ৰণক্ষেত্ৰৰ তেজী ঘোঁৰা সজাইছে। অনাগত দিনত কি বা হয় নাজানো কিন্তু মনত ৰাখিছোঁঃ "কৰ্মণ্যেবাধিকাৰস্তে মা ফলেষু কদাচন!"

# কুমলীয়া কুঁহিপাতৰ মাজত

ডা- ডাঙৰীয়া ঘৰলৈ গৈ বিহু গোৱা আৰম্ভ কৰিলে হাজৰিকা দেৱৰ ভাষাৰে –"বহাগ এটি ঋতু নহয় বহাগ হৈছে অসমীয়া জন-জীৱনৰ আয়ুস ৰেখা"। কপৌ, নাহৰ ফুলপাহে লৈ আনে বহাগ অহাৰ বতৰা আগৰ দিনত বহাগ বিহুত ৰজা মহাৰজা সকলে ৰং ঘৰৰ বাকৰিত বিহু উপভোগ কৰি ডেকা -বুঢ়া আটায়ে মিলি হুঁচৰি গোৱাৰ সময়তে ম'হ যুজ, কুকুৰা যুজৰো খেল উপভোগ কৰি মনত আনন্দ লাভ কৰিছিল। তেতিয়া ৰাতি জীয়ৰী -বোৱাৰী সকলে লুকাই লুকাই পথাৰলৈ গৈ গছ গছনীৰ মাজত মনৰ হেঁপাহ পলুৱাই বিহু নাম গাই বিহু নাচিছিলে। ডেকা সকলেও পথাৰত, বৰগছৰ তলত ঢোল,পেপা, গগনাৰে মুখৰিত কৰি বিহু গায় বিহুৰ আনন্দত মতলীয়া হৈছিল। এই মন মতলীয়া হোৱা বিহু নাম শুনি প্ৰকৃতিৰ লগতে জীৱ জগতৰ জন্তুৰ বুকুতো সৃষ্টি হয় কামনাৰ হিল্লোল। বসুন্ধৰাকো কৰি তোলে শস্য সম্ভভা।

ইংৰাজৰ শাসন কালত পাশ্চাত্য সংস্কৃতিয়ে গ্ৰাস কৰাৰ লগে লগে যদিও বিহুটো লোপ পাবলৈ ধৰিলে লক্ষ্মী নাথ বেজবৰুৱা, ৰজনীকান্ত বৰদলৈ প্ৰমোক্ষে কেইগৰাকীমান ভাষা সাহিত্যৰ লগত জড়িত মহান ব্যক্তিৰ তত্বাৱধানত বিহু পুণৰ উৎজীৱিত কৰাৰ উদ্দেশ্যে বিহুক মঞ্চলৈ লৈ আনিলে । মঞ্চ বিহুৱে বহুৰ সমাদৰ লাভ কৰিলে লগে লগে বিহুৰ ওপৰিও বিভিন্ন প্ৰতিযোগিতা আৰম্ভ কৰা হয়। এই প্ৰতিযোগিতা বোৰ হৈছে মৌ কুঁৱৰী, বিহু কোৱৰী বৰ বিহুৱতী, শ্ৰেষ্ঠ ঢোল বাদক, শ্ৰেষ্ঠ তাল বাদক ইত্যাদি, লগতে বিহুক বিভিন্ন নীতি- নিৰ্দেশনাৰ মাজত ৰাখি মঞ্চত বিহু প্ৰচলন হৈ থাকিল। মঞ্চ বিহুৰ সমাদৰে গছৰ তলৰ বিহু লোপ পালে। গাওঁৰ জীয়াৰী-বোৱাৰী সকল ঘৰৰ চাৰিবেৰৰ মাজৰ পৰা ওলাই আহি বিহুক ভাৰতৰ আন আন ৰাজ্যৰ লগতো পৰিচয় কৰাই দিলে। ক'ণ কণ লৰা ছোৱালী ডেকা, বয়োজেষ্ঠ প্ৰতিজন অসমীয়াৰ হিয়াৰ আপোন বিহুৰ নামে অসমৰ জনজীৱনৰ প্ৰতিচ্ছবি দাঙি ধৰে, লগতে প্ৰকৃতিৰ ওপৰত আৰু প্ৰেমৰ ওপৰতো বিহু নামে অতীজৰে পৰা বৰ্তমান সময়লৈ প্ৰচলন অব্যাহত আছে।

বৰ্তমান বিহুক লৈ নানান আলোচনা -সমালোচনা হৈ আছে । মঞ্চ বিহু আৰু ৰাতি হুঁচৰি গাই গৃহস্থই প্ৰণাম জনোৱা বিহু বৰ্তমান প্ৰচলিত আৰু জনপ্ৰিয় হৈ আছে। বিহু সুৰীয়া গীত-মাতে দৃশ্য -শ্ৰাব্য মাধ্যমৰ জগতখনত বহুল ভাবে প্ৰচলিত হোৱাৰ লগে লগে বিভিন্ন আধুনিক বাদ্য যন্ত্ৰ সমূহো ব্যৱহাৰ কৰি বিহু গীত গোৱা হয় যদিও প্ৰকৃততে এইবোৰ বিহুনাম নহয় আধুনিক গীতৰ সংমিশ্ৰণ হে, বিহুক নতুনত্ব দিবলৈ গৈ প্ৰকৃত মাদকতা ৰাখি নতুনৰ আবৰণেৰে নতুনত্ব আনি আজিৰ প্ৰজন্মৰ মাজত বিলাই দিবলৈ প্ৰয়াস কৰিলেহে হয়তো পুৰণি বিহু নৃত্য আৰু বিহু নাম অক্ষুন্ন থাকিব।

কিন্তু এইবাৰ যেন ঢোলৰ গুম গুমনিয়ে বিহুৰ উচ্ছাসো ম্লান কৰিছে । কুলিৰ মাতত বিষাদে আৱৰিছে বাপতি সাহোন ৰঙালী বিহুৰ সময়তে বিষাদৰ ধুমুহাৰ মাজত আপোন জনক হেৰুৱৰ জুইত দগ্ধ, বিষাদৰ ধুমুহাই প্ৰাণৰ শিল্পী গৰাকীৰ মৃত্যুৰ শোকত দগ্ধ হোৱা লোকসকলক ঢোলৰ গুমগুমনীয়ে পাহৰাই ৰাখিব পাৰিব জানো! এয়াই সময়, সময়ৰ সোঁতত হেৰাই যাব নেকি ঈশ্বৰৰ অংশ বুলি ভৱা প্ৰাণৰ শিল্পী গৰাকীৰ মৃত্যুৰ প্ৰকৃত ৰহস্য। অতিত আৰু বৰ্তমানৰ মাজত সাল সলনি হৈ সময়ৰ লগত খোজ মিলাই আমি আগুৱাই যাবই লাগিব এয়াই জীৱনৰ চৰম সত্য । এৰি অহা সময়ক পাহৰণিৰ সোঁতত এৰি দিব পৰা যায় নে! এক প্ৰশ্নবোধকে মন বোৰক আৱৰি ৰাখিছে । বৰ্তমানৰ লগত একাত্ম হৈ চলিলেহে সমাজৰ লগত একেলগে খোজ মিলাবলৈ সক্ষম হ'ব পাৰি কিন্তু সময়ে আমাক শিকাই দিলে । যি গৰাকী শিল্পীয়ে নিজৰ জীৱনত কৈ অসম আৰু অসমীয়া কৃষ্টি-সংস্কৃতিৰ কথা অহ-ৰহে চিন্তা কৰিছিল তেওঁৰ হকে আমি বোৰে কি কৰিব পাৰিলোঁ।

# ব'হাগ বিহুঃ উৎসৱৰ মাজত লুকাই থকা দৰ্শন আৰু জীৱনৰ অৰ্থ

**যোৰাখণ্ডৰ পৰা..**

**কানুপ্ৰিয়া ডেকা**
**বৰপেটা, হাউলী**



ইয়াৰ উপৰিও, ব'হাগ বিহুৱে মানুহক শিকায় আত্ম-প্ৰকাশৰ গুৰুত্ব। বিহু গীত আৰু নৃত্যত মানুহে নিজৰ অনুভৱ, চিন্তা আৰু সপোন প্ৰকাশ কৰে। কেতিয়াবা যি কথা মুখেৰে ক'ব নোৱাৰি, সেয়া গীত আৰু নৃত্যৰ মাজেৰে সহজে প্ৰকাশ পায়। এইটো দেখুৱায় যে মানুহৰ বাবে নিজৰ অনুভৱ প্ৰকাশ কৰাটো মানসিক স্বাস্থ্যৰ বাবে অতি প্ৰয়োজনীয়।

আৰু এক গুৰুত্বপূৰ্ণ দৰ্শন হ'ল সম্পৰ্কৰ মৰম আৰু মানৱীয়তা। ব'হাগ বিহুৰ সময়ত মানুহে জ্যেষ্ঠসকলৰ পৰা আশীৰ্বাদ লয়, সমবয়সীয়া সকলৰ সৈতে আনন্দ কৰে, আৰু কনিষ্ঠসকলক মৰম দিয়ে। এই আদান-প্ৰদানে মানুহৰ মাজত বিশ্বাস আৰু স্নেহৰ বন্ধন শক্তিশালী কৰে। জীৱনত ধন-সম্পদতকৈ এই সম্পৰ্কবোৰেই অধিক মূল্যবান।

ব'হাগ বিহুৱে এক গভীৰ সত্য শিকায়-জীৱন এক উৎসৱ। যদি আমি মনৰ পৰা অনুভৱ কৰিব পাৰো, তেন্তে প্ৰতিটো দিনেই ব'হাগ বিহুৰ দৰে হৈ পৰিব পাৰে। সুখ, দুখ, আশা, হতাশা-এই সকলোবোৰ মিলিয়েই জীৱন। ব'হাগ বিহুৱে আমাক শিকায় এই সকলো অনুভৱক স্বীকাৰ কৰি জীৱনক পূৰ্ণতাৰে জীয়াই থাকিবলৈ।

এইদৰে, ব'হাগ বিহু হৈছে এক বহুমাত্ৰিক দৰ্শন, য'ত জীৱনৰ প্ৰতিটো দিশৰ প্ৰতিফলন দেখা যায়। ই কেৱল উৎসৱ নহয়-ই এক জীৱনবোধ, এক চিন্তাধাৰা, এক পথপ্ৰদৰ্শক। যেতিয়া আমি ব'হাগ বিহুক কেৱল আনন্দৰ উৎসৱ হিচাপে নহয়, বৰঞ্চ এক গভীৰ জীৱনৰ পাঠ হিচাপে গ্ৰহণ কৰোঁ, তেতিয়া আমি জীৱনৰ সঁচা অৰ্থ বুজিবলৈ সক্ষম হওঁ।

সেয়েহে, ব'হাগ বিহু উদযাপন কৰাটো মানে কেৱল নাচ-গান কৰা নহয়; ই হৈছে নিজৰ অন্তৰক চোৱা, নিজৰ জীৱনক বুজা, আৰু নতুন আশা-আকাংক্ষাৰে আগবাঢ়ি যোৱাৰ এক অনন্য সুযোগ।

# ৰাজ্যসভাৰ সাংসদ হিচাপে

ক্ৰমে বিজেপিৰ তেৰছ গোৱালা, যোগেন মহন আৰু ইউপিপিএলৰ সভাপতি প্ৰমোদ বড়োৱে ৰাজ্যসভাৰ সাংসদ হিচাপে শপতগ্ৰহণ কৰে। বৃহস্পতিবাৰৰ পৰা আৰম্ভ হোৱা সংসদৰ বিশেষ অধিৱেশনৰ প্ৰথম দিনা ৰাজ্যসভাৰ অধ্যক্ষ চি পি ৰাধাকৃষ্ণনৰ উপস্থিতিত তেওঁলোকে এই শপত বাক্য পাঠ কৰে। ৰাজ্যসভাৰ নিৰ্বাচনত কোনো বিৰোধী প্ৰাৰ্থী নথকাত তিনিওগৰাকী বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হৈছিল। সংসদ ভৱনত হোৱা এই শপতগ্ৰহণ অনুষ্ঠানৰ পূৰ্বে তেৰছ গোৱালাই চাইকেল চলাই সংসদত উপস্থিত হৈ সকলোৰে দৃষ্টি আকৰ্ষণ কৰে। তিনিওগৰাকী সাংসদেই জাতীয় সাজপাৰ পৰিধান কৰি অসমৰ লোক-সংস্কৃতিৰ পৰিচয় দাঙি ধৰে। তেৰছ গোৱালা আৰু যোগেন মহনে অসমীয়া ভাষাত শপতগ্ৰহণ কৰাৰ বিপৰীতে প্ৰমোদ বড়োৱে বড়ো ভাষাতে শপত বাক্যপাঠ কৰে। উল্লেখ্য যে যোৱা ১৬ মাৰ্চত অসমত ৰাজ্যসভাৰ এই তিনিখন আসনত নিৰ্বাচন অনুষ্ঠিত হোৱাৰ কথা আছিল যদিও ৯ মাৰ্চত মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিনটোত প্ৰতিখন আসনৰ বিপৰীতে মাত্ৰ এজনকৈহে প্ৰাৰ্থী থকাত তিনিও নেতাই বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হৈছিল। এই তিনিগৰাকী সাংসদে বিজেপিৰ ৰামেশ্বৰ তেলী, ভুবনেশ্বৰ কলিতা আৰু বিৰোধীৰ উমৈহতীয়া প্ৰতিনিধি অজিত কুমাৰ ভুঞাৰ ঠাই সংসদৰ উচ্চ সদনত পূৰণ কৰিছে। উল্লেখ্য যে তেৰছ গোৱালা বিজেপিৰ বিধায়ক আছিল আৰু যোগেন মহনে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ কেবিনেটত জ্যেষ্ঠ মন্ত্ৰী হিচাপে দায়িত্ব পালন কৰিছিল। কেন্দ্ৰীয় ৰাজনীতিত অসমৰ প্ৰতিনিধিত্ব শক্তিশালী কৰাৰ লক্ষ্যৰে বিজেপিয়ে দুয়োগৰাকী অভিজ্ঞ নেতাকে ৰাজ্যসভালৈ প্ৰেৰণৰ সিদ্ধান্ত লয়। আনহাতে ইউপিপিএলৰ সভাপতি প্ৰমোদ বড়োৱে পূৰ্বতে বিটিচিৰ মুখ্য কাৰ্য বাহী সদস্য হিচাপে দায়িত্ব পালন কৰিছিল যদিও শেহতীয়া বিটিচি নিৰ্বাচনত তেওঁৰ দলটো বিপিএফৰ হাতত পৰাজিত হৈছিল। ইপিনে চাইকেলেৰে সংসদ ভৱনত উপস্থিত হোৱা তেৰছ গোৱালাই পাছত সাংবাদিকৰ আগত কয় যে মই জীৱনত যি শিকিছো সেয়া যোৱা ১৭ বছৰ মানুহৰ মাজত চাইকেল চলাই শিকিছোঁ। মোৰ বিধায়ক পদৰ প্ৰথম দৰমহাৰে এখন চাইকেল কিনিছিলোঁ। সাংসদ হিচাপেও মই মোৰ প্ৰথম দৰমহাৰে এখন চাইকেল কিনিম বুলি গোৱালাই জানিবলৈ দিয়ে। তেওঁ আৰু কয় যে চাইকেলৰ লগত প্ৰতিজন শ্ৰমিক-কৃষকৰ এটা সম্পৰ্ক আছে। মই তেওঁলোকৰ সমস্যাৰ কথা সংসদত উত্থাপন কৰিম বুলি জনায়। তেওঁ লগতে এয়াও জনাই দিয়ে যে সুযোগ পালে অনাগত দিনতো চাইকেল চলাই তেওঁ সংসদৰ অধিৱেশনত অংশগ্ৰহণ কৰিব।

# মমতা বেনাৰ্জীৰ বাবেই হুমায়ুনৰ

মুছলমান সোমাব নোৱাৰে। বিজেপি চৰকাৰ হ'লে ৫ লাখ যুৱক-যুৱতীক চৰকাৰী চাকৰি দিয়া হ'ব। বাৰে বাৰে যদি তৃণমূল কংগ্ৰেছ জয় হয়, তেন্তে পশ্চিমবংগ বাংলাদেশত পৰিণত হ'ব। মুখ্যমন্ত্ৰী ড° শৰ্মাৰ ঘোষণা- পশ্চিমবংগ আৰু অসমত হয় আমি জীয়াই থাকিম, নহ'লে বাংলাদেশী মুছলমান জীয়াই থাকিব। দুয়োটা একেলগে জীয়াই থাকিব নোৱাৰে। পশ্চিমবংগত এতিয়া সীমান্ত খোলা। এই খোলা সীমান্তৰে এতিয়া প্ৰতিদিনে সোমাইছে বাংলাদেশী। পশ্চিমবংগৰ পৰা এতিয়া গৰু সৰবৰাহ হয় আৰু বাংলাদেশৰ পৰা পশ্চিমবংগলৈ সৰবৰাহ হয় নতুন নতুন মানুহ। যদি এনেদৰে বাংলাদেশী মুছলমান আহি থাকে আমি কেনেদৰে জীয়াই থাকিম? এই বাংলাদেশী মুছলমানসকলে অসম আৰু পশ্চিমবংগ শেষ কৰি পেলাইছে। পশ্চিমবংগত হয়তো হিন্দু লোক জীয়াই থাকিব নোৱাৰিব। উল্লেখ্য যে মুখ্যমন্ত্ৰীয়ে বৃহস্পতিবাৰে কোচবিহাৰ দক্ষিণ, কালাচিনি আৰু ফাচিদেৱা সমন্বিত তিনিখনকৈ নিৰ্বাচনী সভাত অংশগ্ৰহণ কৰে। এই নিৰ্বাচনী সভাতে ভাষণ দি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়- অসমত ১০ বছৰ বিজেপিৰ শাসন চলিল। মই বাংলাদেশীৰ ৰাজনৈতিক ভৰি সম্পূৰ্ণৰূপে ভাঙি দিলোঁ। এইবাৰ নিৰ্বাচনত মই ঘোষণা কৰি আহিছোঁ যে যদি পুনৰবাৰ বিজেপি চৰকাৰ গঠন হয়, বাংলাদেশী মুছলমানৰ জীৱন সম্পূৰ্ণৰূপে ধ্বংস কৰি পেলাম। বাংলাদেশী মুছলমানৰ পৰা আমি ডেৰ লাখ বিঘা ভূমি উচ্ছেদ কৰিছোঁ। অসমত বাংলাদেশী ভূমিৰ পৰা খেদি পঠিয়াইছোঁ। অসমৰ দৰে পশ্চিমবংগতো বাংলাদেশী মুছলমানক প্ৰত্যাহ্বান জনোৱা এখন চৰকাৰৰ আৱশ্যক। পশ্চিমবংগত যদি পুনৰ তৃণমূল চৰকাৰ গঠন হয়, তেন্তে ইয়াত হিন্দু কেতিয়াও সুৰক্ষিত হৈ থাকিব নোৱাৰে। যি চৰকাৰে হিন্দুৰ ওপৰত আতিশয্য আৰম্ভ কৰে, তাৰ প্ৰতিৰোধৰ বাবে ক'ৰবাত নহয় ক'ৰবাত কৃষ্ণৰ জন্ম হয় আৰু এই কৃষ্ণয়েই প্ৰতিশোধ ল'ব। ইফালে বিজেপি চৰকাৰ গঠন হ'লে পশ্চিমবংগত মাছ-মাংস বন্ধ হ'ব বুলি চলা প্ৰচাৰৰ বিৰুদ্ধে নিৰ্বাচনী সভাত ভাষণ দি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয়- পশ্চিমবংগৰ মুখ্যমন্ত্ৰী মমতা বেনাৰ্জীয়ে দৰাচলতে ৰাজ্যখনত গো-মাংসৰ ব্যৱসায় বন্ধ হৈ যাব বুলি ভয় খাইছে। ৰাজ্যখনত মাছ-মাংস বন্ধ হোৱাক লৈ চিন্তিত নহয় মমতা বেনাৰ্জী। তেওঁ কেৱল বাংলাদেশলৈ যাতে গো-মাংসৰ সৰবৰাহ বন্ধ নহয় তাৰ বাবেহে চিন্তিত। অসমত কামাখ্যা মন্দিৰ আছে, তাত বলি দিয়া হয়। অসমত বিজেপি চৰকাৰ আছে কিন্তু ৰাজ্যখনত মাছ-মাংস বন্ধ হোৱা নাই। তেওঁ কয়- বিজেপি চৰকাৰ অহাৰ পিছত অসমত কোনেও মাছ-মাংস খোৱা বন্ধ কৰা নাই। মই মমতা বেনাৰ্জীক ক'ব বিচাৰোঁ, আপুনি অসমলৈ আহক, আপোনাক ধুনীয়াকৈ মাছ-মাংস খুৱাম। আপুনি আৰু মই দুয়োজনে বহি কামাখ্যা মন্দিৰত বলি দিয়া পঠাৰ প্ৰসাদ আমি দুয়োজনে একেলগে খাম, মই আপোনাতকৈ অলপ বেছিহে খাম। কিন্তু মই ডাঙৰ বিধ নাখাওঁ। আপোনাৰ ওচৰত থকা লোকসকলে যিধৰণে ডাঙৰবিধ খায়, সেয়া মই নাখাওঁ আৰু তাৰ প্ৰতিযোগিতাও মই কৰিব নোৱাৰোঁ। আপোনাতকৈ মাছো বেছিকৈ খাম। আপুনি যদি ৫ কেজি মাছ খায়, মই ১০ কেজি খাম। মাছৰ খেল এৰক মমতা বেনাৰ্জীয়ে। আনহাতে অসমৰ উদাহৰণ দাঙি ধৰি মুখ্যমন্ত্ৰীয়ে কয়-বিজেপিৰ শাসনকালত যোৱা ১০ বছৰত অসমত কিমান পৰিৱৰ্তন হৈছে। অসমৰ চৰকাৰী কৰ্মচাৰীয়ে এতিয়া সপ্তম দৰমহা আয়োগৰ প্ৰতিবেদন অনুসৰি দৰমহা লাভকৰে, ৫০ শতাংশ মৰগীয়া বানচ পায়। কিন্তু পশ্চিমবংগ এখন বৃহৎ ৰাজ্য হোৱাৰ পিছতো ইয়াৰ চৰকাৰী কৰ্মচাৰীয়ে মাত্ৰ ২২ শতাংশহে মৰগীয়া বানচ পায়। অসমৰ দৰে সৰু ৰাজ্যৰ কৰ্মচাৰীয়ে যদি ৫০ শতাংশ মৰগীয়া বানচ পায়, তেন্তে পশ্চিমবংগৰ চৰকাৰী কৰ্মচাৰীয়েও ৫০ শতাংশ মৰগীয়া বানচ লাভ কৰিব লাগে। পশ্চিমবংগতো বিজেপি চৰকাৰ আনিব লাগে বুলি মন্তব্য কৰি মুখ্যমন্ত্ৰয়ে কয়-আজি বাংলাদেশত যি ৰাজনৈতিক অস্থিৰতা হৈছে, ২০ বছৰ পাছত আমাৰ ইয়াতো এই অৱস্থাৰ সৃষ্টি হ'ব। পশ্চিমবংগৰ দৰে অৱস্থা অসমতো হৈছিল। কিন্তু আজি অসমত হিন্দু জাগি উঠিছে। গতিকে এতিয়া অসমৰ হিন্দুক একো কৰিব নোৱাৰে। যদি পশ্চিমবংগ আৰু অসমৰ হিন্দু এক হয়, তেন্তে বাংলাদেশী মুছলমানে আমাৰ চুলি এডালো ল'ৰাব নোৱাৰে। দেশৰ আন জনতাৰ লগত আমাৰ কোনো সমস্যা নাই। কিন্তু বাংলাদেশী মুছলমানৰ আগ্ৰাসনৰ ফলত আমাৰ হিন্দু এতিয়া সংখ্যালঘুত পৰিণত হ'বলৈ লৈছে, হিন্দু সংস্কৃতিক শেষ কৰি দিব বিচৰা হৈছে।

# গুৱাহাটীৰ সংগীতা ৰাভাৰ

মুকুট, বিহু সম্ৰাজ্ঞী দণ্ড, মান-পত্ৰ, জাপি আৰু নগদ ১, ৭১, ১০১ টকা। ইয়াৰ উপৰি তেওঁক সোণৰ গহনা, টিভি, ৰেফ্ৰিজেৰেটৰ, ৱাশ্বিং মেচিনসহ বহুতো আকৰ্ষণীয় উপহাৰ প্ৰদান কৰা হয়। উল্লেখ্য যে এইবাৰ লতাশিলৰ এই সন্মানীয় খিতাপৰ বাবে ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ পৰা মুঠ ৬ গৰাকী বিহুৱতীয়ে প্ৰতিযোগিতাত অংশ লৈছিল। তেওঁলোক হ'ল- গুৱাহাটীৰ সংগীতা ৰাভা, নাহৰকটীয়াৰ কৃষ্ণাশ্ৰী বুঢ়াগোহাঁই, ধেমাজিৰ পাহাৰী বুঢ়াগোহাঁই, নগাঁৱৰ নিৰ্জুমা কাকতি, মৰাণৰ নিমিশা দিহিঙীয়া আৰু সৰভোগৰ পম্পী নাথ। এই বিহু সম্ৰাজ্ঞী প্ৰতিযোগিতাৰ বিচাৰক হিচাপে উপস্থিত আছিল অজিত গগৈ, প্ৰবীণ শইকীয়া আৰু জয়া শীল ঘোষ। বিহু কুঁৱৰী, বিহুৰাণী আৰু অন্যান্য খিতাপ আনহাতে, গোলাঘাটৰ কৃষ্ণা হাতীবৰুৱাই 'বিহু কুঁৱৰী' আৰু লখিমপুৰৰ বৰষা বুঢ়াগোহাঁয়ে 'বিহুৰাণী'ৰ খিতাপ অৰ্জন কৰে। দুয়োগৰাকী বিজয়ীকে মান-পত্ৰ আৰু নগদ ধনৰ লগতে সোণৰ গহনা আৰু বিভিন্ন আকৰ্ষণীয় উপহাৰেৰে সন্মানিত কৰা হয়। আনহাতে, গুৱাহাটী বিহু সন্মিলনী ২০২৬-ৰ শ্ৰেষ্ঠ ঢুলীয়াৰ খিতাপ লাভ কৰে লাচিত গগৈয়ে। একেদৰে গোবিন চন্দ্ৰ গগৈয়ে শ্ৰেষ্ঠ পেঁপাবাদকৰ সন্মান অৰ্জন কৰে। এই বৰ্ণিল কাৰ্যসূচীৰ জৰিয়তে লতাশিলৰ ৭৫ সংখ্যক গুৱাহাটী বিহু সন্মিলনীৰ সফল সামৰণি পৰে।

# বনাঞ্চল বেদখলক লৈ

চিৰাং জিলাৰ আৰক্ষী প্ৰশাসন তথা জিলা প্ৰশাসনে। পৰিস্থিতি এনে পৰ্যায় পায়গৈ পৰিস্থিত নিয়ন্ত্ৰণৰ বাবে চিৰাং-কোকৰাঝাৰকে ধৰি কাষৰীয়া জিলাৰ চাৰিজনকৈ শীৰ্ষ আৰক্ষী বিষয়া ঘটনাস্থলীত উপস্থিত হয়। প্ৰতিবাদী কাৰ্যসূচী নিয়ন্ত্ৰণৰ বাবে আৰক্ষীয়ে কন্দুৱা গেছ প্ৰয়োগ আৰু লাঠীচালনাৰ লগতে শূন্যলৈ গুলীচালনা কৰিবলৈ বাধ্য হয়। প্ৰতিবাদী লোক তথা আৰক্ষীৰ হতাহতি, লাঠীচালনা আদিত চিৰাং জিলাৰ আৰক্ষী বিষয়া ধ্ৰুব বৰাকে ধৰি ১৫জনৰো অধিক আৰক্ষী-বন বিভাগৰ লোক তথা প্ৰদিবাদকাৰী কম-বেছি পৰিমাণে আহত হোৱা বুলি জানিব পৰা গৈছে। তথ্য অনুযায়ী ঋণীখাতা বন সংমণ্ডলৰ অন্তৰ্গত সংৰক্ষিত বনাঞ্চলত একাংশ লোকে বন ধ্বংস কৰি বনভূমি বেদখল কৰিবলৈ অগ্ৰসৰ হোৱাত বনৰক্ষীৰ দলে বেদখলকাৰীক বাধা প্ৰদান কৰে। বৃহস্পতিবাৰে বন ধ্বংসৰ লগতে বনভূমি বেদখলৰ লগত জড়িত থকাৰ অভিযোগত কেইজনমান লোকক বনৰক্ষীৰ দলে ঋণীখাতা বন কাৰ্যালয়লৈ নিয়ে। সন্ধিয়াৰ ভাগত আটকাধীন লোককেইজনৰ পত্নী আৰু পৰিয়ালৰ মহিলাসকলে বন বিভাগৰ কাৰ্যালয়ত উপস্থিত হৈ আটকাধীন সকলক মুকলি কৰি দিবলৈ দাবী জনায়। সেই মুহূৰ্তত বন বিভাগৰ কাৰ্যালয় চৌহদত এক উত্তেজনাময় পৰিস্থিতিৰ সৃষ্টি হয় আৰু বনকৰ্মী আৰু মহিলাসকলৰ মাজত হতাহতি পৰিস্থিতিৰ সৃষ্টি হয়। উক্ত ঘটনাত কেইবাগৰাকী মহিলা আহত হৈ চিকিৎসাধীন হ'ব লগা পৰিস্থিতিৰ সৃষ্টি হয়। ইয়াৰে প্ৰতিবাদত শুকুৰবাৰে পুৱাৰ ভাগত কেইবাশতাধিক আদিবাসী পুৰুষ-মহিলা আৰু একাংশ ছাত্ৰ সংগঠনৰ নেতা-কৰ্মী বন বিভাগৰ কাৰ্যালয়ত উপস্থিত হৈ প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। আনহাতে পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে ৰাজ্য প্ৰশাসনে কোকৰাঝাৰ আৰু চিৰাং জিলাত অনিৰ্দিষ্ট কালৰ বাবে ইণ্টাৰনেট সেৱা কৰ্তন কৰাৰ কথা সদৰী কৰিছে।

# পৱন খেড়াৰ জামিনত

তেলেংগানা উচ্চন্যায়ালয়ে খেড়াক প্ৰদান কৰা অন্তৰ্বৰ্তীকালীন সকাহে তেওঁলোকক আচৰিত কৰিছে। এই পৰিপ্ৰেক্ষিতত সৰ্বোচ্চ ন্যায়ালয়ে খেড়ালে জাননী জাৰি কৰাৰ লগতে পূৰ্বৰ সুৰক্ষামূলক নিৰ্দেশটো স্থগিত ৰাখে। অৱশ্যে শীৰ্ষ আদালতে এটা কথা স্পষ্ট কৰি দিয়ে যে যদিহে কংগ্ৰেছ নেতাগৰাকীয়ে বিচাৰে, তেন্তে তেওঁ অসমৰ কোনো উপযুক্ত আদালতত অগ্ৰিম জামিনৰ বাবে আবেদন কৰিব পাৰিব আৰু উচ্চতম ন্যায়ালয়ৰ এই স্থগিতাদেশে তেওঁৰ সেই আইনী অধিকাৰত কোনো নেতিবাচক প্ৰভাৱ নেপেলাব। মন কৰিবলগীয়া যে অসম চৰকাৰৰ হৈ উচ্চতম ন্যায়ালয়ত যুক্তি দৰ্শাই ছলিচিটৰ জেনেৰেল তুষাৰ মেহতাই উচ্চ ন্যায়ালয়ৰ অন্তৰ্বৰ্তীকালীন সুৰক্ষাৰ তীব্ৰ বিৰোধিতা কৰে। তেওঁৰ অভিযোগ-খেড়াই ভুৱা নথিপত্ৰৰ সহায় লৈ আদালতৰ কাষ চাপিছিল। মেহতাই আৰু কয় যে অসমত পঞ্জীয়ন হোৱা এক গোচৰৰ বাবে তেলেংগানা উচ্চ ন্যায়ালয়ৰ পৰা সুৰক্ষা বিচৰাটো দৰাচলতে ন্যায়িক প্ৰক্ৰিয়াৰ অপব্যৱহাৰ আৰু ইয়াক একপ্ৰকাৰৰ 'ফ'ৰাম শ্বপিং' বা নিজৰ সুবিধা অনুযায়ী আদালত বাছনি কৰা বুলি অভিহিত কৰিব পাৰি। খেড়াৰ আধাৰ কাৰ্ডত তেওঁৰ বাসগৃহ দিল্লী বুলি উল্লেখ থকাৰ পিছতো হায়দৰাবাদস্থিত আদালতৰ কাষ চপা কাৰ্যক লৈও তেওঁ প্ৰশ্ন উত্থাপন কৰে।

# দেৱজিৎ কুমাৰ বৰুৱাৰ

সন্নিবিষ্ট শাখাৰ নৱনিৰ্মিত অভ্যৰ্থনা কক্ষত অনুষ্ঠিত হয়। উল্লেখযোগ্য যে দেৱজিৎ কুমাৰ বৰুৱাই উক্ত অৰণ্যম ৰেষ্টুৰেণ্ট খনৰ স্বত্বাধিকাৰী। দুহিতা গঙ্গোঁত্ৰী বৰুৱা (কৌশিক)ৰ সুন্দৰ বেটুপাতেৰে অলংকৃত গ্ৰন্থখনিৰ প্ৰকাশক সহধৰ্মিনী মল্লিকা বৰুৱা। শিক্ষক তথা ব্যৱসায়ী পঙ্কজ বৰুৱা (মিতু)ৰ মংগলাচৰণেৰে আৰম্ভ কৰা গ্ৰন্থ উন্মোচনী সভা খনিত শতাধিক গণ্য মান্য ব্যক্তিৰ উপস্থিতি তথা সঞ্জীৱ চিকু, সত্যজিত শৰ্মা, উপেন বৰাৰ দৰে শিল্পীৰ গানৰ শৰাইয়ে অনুষ্ঠান খনিৰ সৌষ্ঠৱ দুগুণে বৃদ্ধি কৰে।

যোৰহাট মালৌ আলিস্থিত বৰকটকী অফ্‌ছেট প্ৰিণ্টাৰ্ছত মুদ্ৰিত 'বিনিদ্ৰ নিশাৰ অনুভূতি'য়ে পাঠক সমাজৰ সমাদৰ লাভ কৰিব বুলি লেখক দেৱজিৎ কুমাৰ বৰুৱা অতিকৈ আশাবাদী।

# লোকসভাত গৃহীত নহ'ল

সদস্যসকল। বৃহস্পতিবাৰৰ পৰা আৰম্ভ হোৱা সংসদৰ তিনিদিনীয়া বিশেষ অধিৱেশনত তিনিখন ঐতিহাসিক বিধেয়ক গৃহীত কৰিবলৈ চেষ্টা চলাইছিল কেন্দ্ৰই। কেন্দ্ৰীয় আইন মন্ত্ৰী অৰ্জুন ৰাম মেঘৱালে এই বিধেয়ককেইখন সদনত গৃহীত কৰাৰ বিবেচনাৰ বাবে উত্থাপন কৰে। তেওঁ উত্থাপন কৰা প্ৰথমখন বিধেয়ক হ'ল- লোকসভা আৰু দেশৰ সকলো ৰাজ্যৰ বিধানসভাত মহিলাসকলৰ বাবে এক তৃতীয়াংশ আসন সংৰক্ষণৰ উদ্দেশ্যে ১৩১ সংখ্যক সংবিধান সংশোধনৰ প্ৰস্তাৱ। ইয়াক ইতিমধ্যে পৰিচিত কৰা হৈছে 'নাৰী শক্তি বন্দন অধিনিয়ম' হিচাপে। লোকসভাৰ সাংসদৰ সংখ্যা বঢ়াই ৮৫০ কৰাৰ বিষয়টোও ইয়াৰ অন্তৰ্গত, দ্বিতীয়খন- লোকসভাৰ সমষ্টি পুনৰ নিৰ্ধাৰণ (ডিলিমিটেচন) সম্পৰ্কীয় বিধেয়ক। তৃতীয়খন- কেন্দ্ৰীয়শাসিত অঞ্চল আইন সংশোধনী বিধেয়ক। প্ৰথম বিধেয়কখন সদনত গৃহীত নোহোৱাত পিছৰ দুখনক লৈ ভোটদান পৰ্বৰ বাবে আগবাঢ়িবলৈ নিবিচাৰিলে মোদী চৰকাৰে। স্মৰ্তব্য যে ২০২৩ চনত 'নাৰী শক্তি বন্দন অধিনিয়ম' বিধেয়ক (১০৬সংখ্যক সংবিধান সংশোধনী বিধেয়ক) গৃহীত হৈছিল লোকসভা আৰু ৰাজ্যসভাত। মহিলাসকলৰ বাবে ৩৩ শতাংশ আসন সংৰক্ষণৰ এই বিধেয়কত কোৱা হৈছিল যে লোকপিয়লৰ পিছত সমষ্টি পুনৰ নিৰ্ধাৰণ কৰা হ'ব। তাৰ পিছত সেই আসনৰ ৩৩ শতাংশ সংৰক্ষণ কৰা হ'ব মহিলাসকলৰ বাবে। চৰকাৰী পক্ষৰ ফালৰ পৰা কোৱা হয় যে ২০২৯ চনৰ লোকসভা নিৰ্বাচনৰ পূৰ্বে মহিলাৰ সংৰক্ষণ কাৰ্যকৰী কৰিবলৈহে লোকসভাৰ সমষ্টি পুনৰ নিৰ্ধাৰণ আৰু সম্প্ৰসাৰণৰ প্ৰয়োজনীয়তা আহি পৰিছে। এই প্ৰচেষ্টাক প্ৰতিহত কৰিবলৈ চেষ্টা কৰা দলসমূহক মহিলাৰ সবলীকৰণৰ বিৰোধী বুলি অভিহিত কৰা হয়। লোকসভাত বিতৰ্ক চলি থাকোঁতেই বৃহস্পতিবাৰে নিশা মহিলাসকলৰ আসন সংৰক্ষণ সম্পৰ্কীয় পুৰণি আইনখন কাৰ্যকৰী কৰে কেন্দ্ৰীয় চৰকাৰে। কেন্দ্ৰীয় আইন মন্ত্ৰালয়ে এই আইন কাৰ্যকৰী কৰাৰ বিষয়ে বিজ্ঞপ্তি জাৰি কৰি জনাই যে বৃহস্পতিবাৰৰ (১৬ এপ্ৰিল) পৰাই কাৰ্যকৰী হৈছে ১০৬সংখ্যক সংবিধান সংশোধনী বিধেয়কখন।

# পৱন খেড়াক ৰিণিকি

তেলেংগানা উচ্চ ন্যায়ালয়ে কৰা পৰ্যবেক্ষণ বা উচ্চতম ন্যায়ালয়ৰ স্থগিতাদেশৰ আদেশেও সংশ্লিষ্ট আদালতক প্ৰভাৱিত কৰিব নালাগে বুলিও স্পষ্ট কৰি দিয়ে। উল্লেখ্য যে ৫ এপ্ৰিলত এক সংবাদমেলত খেড়াই অভিযোগ কৰিছিল যে মুখ্যমন্ত্ৰীৰ পত্নী ৰিণিকি ভূঞা শৰ্মাৰ একাধিক পাছপ'ৰ্ট আৰু বিদেশী সম্পত্তি আছে । কিন্তু সেইবোৰৰ তথ্য ৯ এপ্ৰিলত ৰাজ্যত অনুষ্ঠিত হ'বলগীয়া বিধানসভা নিৰ্বাচনৰ বাবে হিমন্ত বিশ্ব শৰ্মাই যি নিৰ্বাচনী শপতনামা দাখিল কৰিছিল তাত ঘোষণা কৰা হোৱা নাছিল। ইফালে এই অভিযোগক মিছা আৰু মনেসজা বুলি মুখ্যমন্ত্ৰী তথা তেওঁৰ পত্নীয়ে নাকচ কৰে । পৱন খেড়াৰ এই অভিযোগৰ পিছতেই মুখ্যমন্ত্ৰীৰ পত্নী ৰিণিকি ভূঞা শৰ্মাই অসম আৰক্ষীৰ অপৰাধ শাখাত গোচৰ ৰুজু কৰিছিল। খেড়াৰ বিৰুদ্ধে গুৱাহাটী অপৰাধ শাখা আৰক্ষী থানাত ভাৰতীয় ন্যায় সংহিতাৰ ১৭৫, ৩৫ আৰু ৩১৮ ধাৰাত গোচৰ ৰুজু হৈছিল। ইয়াৰ আধাৰতে অসম আৰক্ষীয়ে খেড়াৰ দিল্লীস্থিত বাসভৱনত তালাচী চলাইছিল যদিও পৱন খেড়াই হায়দৰাবাদলৈ পলায়ন কৰিছিল আৰু তাতেই তেওঁ তেলেংগানা উচ্চ ন্যায়ালয়ত উক্ত গোচৰৰ বিপৰীতে জামিনৰ বাবে আবেদন কৰে। তেলেংগানা উচ্চ ন্যায়ালয়ে পৱন খেড়াক ৭ দিনৰ বাবে ট্ৰেনজিট অন্তৰ্বৰ্তীকালীন জামিন প্ৰদান কৰে। ইয়াৰ বিপৰীতে অসম আৰক্ষী তথা ৰাজ্য চৰকাৰে পৱন খেড়াৰ ট্ৰেনজিট অন্তৰ্বৰ্তীকালীন জামিনৰ বিৰোধিতাৰে উচ্চতম ন্যায়ালয়ত প্ৰত্যাহ্বান জনায়। যোৱা ১৫ এপ্ৰিলত উচ্চতম ন্যায়ালয়ে তেলেংগানা উচ্চ ন্যায়ালয়ৰ নিৰ্দেশত স্থগিতাদেশ দিয়ে।

# এটা সৎ চেষ্টাৰ ভ্ৰূণ হত্যা

হত্যা কৰিলে কংগ্ৰেছ, ডিএমকে, তৃণমূলৰ দৰে দলসমূহে। নাৰীসকলৰ উত্থান ঘটিলে পৰিয়ালতান্ত্ৰিক দলসমূহে বিপদত পৰিব আৰু সেই কাৰণে এই বিধেয়কৰ বিৰোধিতা কৰা হৈছে বুলি অভিযোগ কৰে প্ৰধানমন্ত্ৰীয়ে। বিধেয়কখন গৃহীত নোহোৱাত বিৰোধী পক্ষক দায়ী কৰি তেওঁ কয়, 'দেশৰ মহিলাই এই পাপক ক্ষমা নকৰিব।' প্ৰধানমন্ত্ৰী মোদীয়ে কয়, 'মহিলাসকলক আগুৱাই লৈ যোৱাৰ সুযোগ আছিল তৃণমূলৰ ওচৰত। কিন্তু সেই সুযোগ তেওঁলোকে নষ্ট কৰিলে। একেই পথেৰে বাট বুলিলে সমাজবাদী পাৰ্টীয়েও।' ৰাষ্ট্ৰক উদ্দেশ্যি দিয়া ভাষণত প্ৰধানমন্ত্ৰীয়ে অভিযোগ কৰে যে সমষ্টি পুনৰ নিৰ্ধাৰণক লৈ ভুল ব্যাখ্যা কৰিছে বিৰোধীপক্ষই। মহিলাৰ সংৰক্ষণক লৈ চৰকাৰৰ প্ৰয়াস অব্যাহত থাকিব বুলি জনায় প্ৰধানমন্ত্ৰী মোদীয়ে। তেওঁ কয়, ' নাৰী সংৰক্ষণ বিধেয়কক লৈ সকলো ধৰণৰ প্ৰচেষ্টা সত্ত্বেও আমি সফল হ'ব নোৱাৰিলোঁ। মহিলা সংৰক্ষণ বিধেয়কৰ পবিত্ৰ প্ৰয়াসক বাধা দিয়াসকলক দেশৰ মহিলাই কেতিয়াও ক্ষমা নকৰে।' তেওঁ আৰু কয়, 'এগৰাকী মহিলাই বহু কথাই পাহৰি যাব পাৰে, কিন্তু এই অপমানক তেওঁলোকে কেতিয়াও পাহৰি নাযায়। এই ধৰণৰ আচৰণৰ যন্ত্ৰণা দেশৰ মহিলাসকলৰ হৃদয়ত ৰৈ যাব। সময়ৰ দাবী আছিল নাৰীশক্তি বন্দন।' কংগ্ৰেছক 'সংস্কাৰবিৰোধী দল' বুলি কটাক্ষ কৰে প্ৰধানমন্ত্ৰী মোদীয়ে। তেওঁ কয়, 'কংগ্ৰেছে যেতিয়াই সংস্কাৰৰ কথা শুনিবলৈ পায় তেতিয়াই তাক বোধ কৰাৰ বাবে সকলো ধৰণৰ প্ৰচেষ্টা চলায়।' তেওঁ আৰু কয়, 'আমি ভাবিছিলোঁ যে কংগ্ৰেছে তেওঁলোকৰ শতিকাপুৰণি ভুলসমূহ শুধৰাই ল'ব। কিন্তু পৰজীৱীৰ দৰে আঞ্চলিক দলসমূহৰ সাহায্যত বাচি আছে কংগ্ৰেছ। তেওঁলোকে মহিলাসকলৰ ওচৰত থিয় হোৱাৰ আৰু নতুন ইতিহাস গঢ়াৰ সুযোগ নষ্ট কৰিলে।'

# কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰীৰ

কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰীসকলক ডিএ আৰু পেঞ্চনাৰসকলক ডিআৰৰ অতিৰিক্ত কিস্তি মুকলি কৰাৰ অনুমোদনে বৰ্তমানৰ মৌলিক দৰমহা/ পেঞ্চনৰ ৫৮ শতাংশ হাৰৰ তুলনাত ২ শতাংশ বৃদ্ধিৰ প্ৰতিনিধিত্ব কৰে। মুদ্ৰাস্ফীতিৰ প্ৰভাৱ কমোৱাৰ বাবে এই বৃদ্ধি কৰা হৈছে । চৰকাৰৰ এই সিদ্ধান্তৰ ফলত প্ৰায় ৫০.৪৬ লাখ কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰী আৰু ৬৮.২৭ লাখ পেঞ্চনাৰ উপকৃত হ'ব। তদুপৰি চৰকাৰে ৰাজকোষৰ পৰা বছৰি ব্যয় কৰিব লাগিব অতিৰিক্ত ৬, ৭৯১ কোটি টকা। উল্লেখ্য যে ক'ভিড মহামাৰীৰ সময়ত তিনিবাৰ ডিএ-ডিআৰ স্থগিত ৰাখিছিল কেন্দ্ৰীয় চৰকাৰে। অৱশ্যে ২০২১ চনৰ পৰা ইয়াক পুনৰ নিয়মীয়া কৰা হয়। বিগত বৰ্ষৰ জুলাই মাহত ২ শতাংশ ডিএ-ডিআৰ বৃদ্ধি কৰা হৈছিল। ইয়াৰ পিছত অক্টোবৰত শতাংশ বঢ়োৱাত ইয়াৰ পৰিমাণ হয় ৫৮ শতাংশ। ইফালে আজিৰ কেবিনেটে আৰু কেইটামান সিদ্ধান্ত লোৱা বুলি জানিবলৈ দিয়ে কেন্দ্ৰীয় ৰে'লমন্ত্ৰী বৈষ্ণৱে। তাৰ ভিতৰত প্ৰধানমন্ত্ৰী গ্ৰাম চড়ক যোজনা ৩ৰ বাবে পূৰ্বে আবণ্টিত ধনৰ পৰিমাণ ৮০, ২৫০ কোটিৰ পৰা ৮৩, ৯৭৭ কোটি টকালৈ বৃদ্ধি অন্যতম। ইয়াৰ জৰিয়তে পথৰ লগতে পাহাৰ আৰু সমতল এলেকাত দলং নিৰ্মাণ কৰা হ'ব। বিশেষকৈ গ্ৰামাঞ্চলৰ আৱাসিক এলেকাৰ সৈতে বজাৰ, বিদ্যালয় আৰু চিকিৎসালয় সংযোগী পথ নিৰ্মাণত অগ্ৰাধিকাৰ দিব চৰকাৰে।

# লোকসভাত তিনি ঐতিহাসিক

হাৰত বৃদ্ধি পাব বিধানসভা সমষ্টিৰ সংখ্যাও। সংসদৰ বিশেষ অধিৱেশনত উপস্থিত থাকি প্ৰধানমন্ত্ৰী মোদীয়ে ভাষণ দি কয়- যিসকলে মহিলা সংৰক্ষণ বিধেয়কৰ বিৰোধিতা কৰিছে মহিলাসকলে তেওঁলোকক ক্ষমা নকৰিব। এই বিৰোধিতাৰ বাবে তেওঁলোকে 'দীৰ্ঘ সময়লৈ মূল্য পৰিশোধ' কৰি থাকিব লাগিব। দেশৰ ভগ্নীসকলৰ ওপৰত আস্থা ৰাখক। লোকসভাত তেওঁলোকৰ ৩৩ শতাংশ সংৰক্ষণ নিশ্চিত কৰক। কোনো নিৰ্দিষ্ট দলৰ নাম উল্লেখ নকৰাকৈ প্ৰধানমন্ত্ৰীয়ে কয় যে মহিলা বিধেয়কৰ বিৰোধিতা কৰিছে এটি দলে। ভোটৰ সময়ত যিসকলে ইয়াৰ বিৰোধিতা কৰিছে মানুহে তাৰ উত্তৰ দিছে। এয়া সকলোৰে সাফল্যৰ ফচল। এয়া সমগ্ৰ দেশৰ সাফল্য। এয়া কোনো এটা দলৰ জয়ী নহয়। তেওঁ লগতে উল্লেখ কৰে যে এয়া মহিলাসকলৰ বাবে পক্ষপাতিত্ব নহয়। এয়া তেওঁলোকৰ অধিকাৰ। আহক আমি সকলোৰে মহিলাসকলৰ বাবে কিবা কৰিবলৈ চিন্তা কৰোঁ। এয়া তেওঁলোকৰ অধিকাৰ। আমি ইয়াক দশক জুৰি বিলম্বিত কৰি ৰাখিছোঁ। প্ৰধানমন্ত্ৰী মোদীয়ে প্ৰস্তাৱিত পুনৰ নিৰ্ধাৰণ প্ৰক্ৰিয়াৰ ক্ষেত্ৰত কোনো ৰাজ্যই বৈষম্যৰ সন্মুখীন হ'ব নালাগে আৰু তেওঁ লগতে সকলো দললৈ এই বিধেয়ককেইখনক সমৰ্থন জনাবলৈ আহ্বান জনায়। তেওঁ কয় যে এই সিদ্ধান্তক ৰাজনৈতিক চছমাৰে চোৱা উচিত নহয়। তাৰ সলনি দেশৰ ভৱিষ্যতৰ বাবে এটা পদক্ষেপ হিচাপে ইয়াক গণ্য কৰা উচিত। বিৰোধী পক্ষক এই বিধেয়কসমূহলৈ সমৰ্থন আগবঢ়াই এক বিৰল সুযোগ গ্ৰহণ কৰিবলৈ আহ্বান জনায়। তেওঁ খুহুতীয়া সুৰত কয় 'মই আপোনালোকক এখন ব্লেংক চেক দিবলৈ সাজু আছোঁ। সকলোৱে এই কৃতিত্ব লওক।' প্ৰধানমন্ত্ৰীৰ মতে, "সংসদৰ ইতিহাসত এইটো এটা অনন্য মুহূৰ্ত। ভাৰতে এক নতুন ইতিহাস ৰচনা কৰাৰ দিশে অগ্ৰসৰ হৈছে।" মহিলা সংৰক্ষণ বিধেয়কখনক ৰাজনৈতিক ৰং নিদিবলৈ বিৰোধীক আহ্বান জনায় প্ৰধানমন্ত্ৰী মোদীয়ে। যিসকলে ইয়াক লৈ ৰাজনীতি কৰিছে, তেওঁলোকক যোৱা ৩০ বছৰৰ নিজৰ কাম-কাজৰ খতিয়ান চাবলৈ মোদীয়ে পৰামৰ্শ দিয়ে। প্ৰধানমন্ত্ৰীয়ে কয় যে তেওঁ সকলো দলৰ সৈতে আলোচনা কৰিছে আৰু কোনো দলেই নীতিগতভাৱে ইয়াৰ বিৰোধিতা কৰা নাই। তেওঁ বিৰোধীক এগৰাকী বন্ধু হিচাপে পৰামৰ্শ দি কয় যে সকলোৱে মিলি আগবাঢ়িলে ইতিহাসত দেশৰ সেৱাৰ বাবে সকলোৰে নাম স্মৰণীয় হৈ থাকিব। প্ৰধানমন্ত্ৰীৰ মতে এই বিতৰ্ক হৈছে এক 'মন্থন', যাৰ পৰা ওলাই অহা অমৃতে দেশৰ ভৱিষ্যতৰ দিশ নিৰ্ণয় কৰিব। আনহাতে সংসদত যি তিনিখন বিধেয়ক উত্থাপন কৰা হৈছে তাৰ খচৰা মঙলবাৰেই পঠিওৱা হয় সাংসদসকলৰ ওচৰলৈ। উভয় সদনতে এই বিধেয়ককেইখন গৃহীত হ'লে আৰু ৰাষ্ট্ৰপতিৰ অনুমোদন পালে লোকসভাৰ আসনৰ সংখ্যা ৫৪৩ৰ পৰা বৃদ্ধি পাই ৮৫০ হ'ব পাৰে। তাত এক তৃতীয়াংশ আসন সংৰক্ষিত থাকিব মহিলাসকলৰ বাবে। ২০২৩ চনত নাৰী শক্তিবন্দন অধিনিয়ম বিধেয়ক গৃহীত হৈছিল লোকসভা আৰু ৰাজ্যসভাত। মহিলাসকলৰ বাবে ৩৩ শতাংশ আসন সংৰক্ষণৰ কথা সেই বিধেয়কখনত কোৱা হৈছিল যে লোকপিয়লৰ পিছত সমষ্টি পুনৰ নিৰ্ধাৰণ কৰা হ'ব। তাৰ পিছত এই আসনৰ ৩৩ শতাংশ সংৰক্ষণ কৰা হ'ব মহিলাসকলৰ বাবে। কিন্তু এতিয়া কেন্দ্ৰই লোকপিয়ল লৈকে অপেক্ষা নকৰাত কংগ্ৰেছ, তৃণমূল, ডিএমকেসহ বিৰোধী দলসমূহে প্ৰশ্ন তুলিছে। এই সমষ্টি পুনৰ নিৰ্ধাৰণ সন্দৰ্ভত বুধবাৰে ডিএমকে নেতাসকলক লৈ এখন জৰুৰী বৈঠকত বহিছিল তামিলনাডুৰ মুখ্যমন্ত্ৰী এম কে ষ্টেলিন। সমষ্টি পুনৰ নিৰ্ধাৰণৰ বিৰোধিতাৰে বৃহস্পতিবাৰে পুৰা বিধেয়কৰ খচৰা দাহ কৰে তেওঁলোকে।

ENGLISH NEWS SECTION

# Assam Governor extends greetings on Rongali Bihu and Assamese New Year



Guwahati, RB News: Assam Governor Shri Lakshman Prasad Acharya extended his warm greetings on the auspicious occasion of Rongali Bihu and the Assamese New Year to the people of Assam. The Governor paid tributes to Zubeen Garg during the event. Addressing a Bihu function organised by the Kharghuli Rongali Bihu Sanmilan here today, the Governor stated that Rongali Bihu symbolizes new beginnings, hope, and togetherness, and plays a vital role in strengthening Assam's rich cultural traditions while bringing joy, peace, and prosperity to society. Describing India as a land of festivals, he noted that such occasions promote social harmony, cultural identity, and unity. Highlighting Assam's unique character, the Governor said that the State represents a harmonious confluence of diverse communities, languages, and traditions, forming the greater Assamese identity. He observed that Rongali Bihu, marking the advent of spring and the Assamese New Year, reflects the deep bond between people and nature and inspires collective celebration. Sharing his personal experience, the Governor stated that his close association with Assam has helped him understand the deep respect and pride with which people preserve their traditions. The love for nature among the people of Assam, he said, is the soul of the State, and Rongali Bihu is its most graceful expression. He expressed pride that collective efforts of the State Government and people have brought global recognition to Rongali Bihu, including its acknowledgment in the Guinness World Records, which stands as a testament to Assam's rich cultural heritage. On this occasion the Governor unveiled the souvenir "Luit". Earlier the Kharghuli Rongali Bihu Sanmilan President Dibyajyoti Kalita delivered the welcome address while the Sanmilan Working President Naba Kr Deka offered the vote of thanks. Member of Parliament, Bijulee Kalita Medhi, CMD, AM Television, Sanjive Narain and a host of dignitaries were present during the event. Earlier on the day the Governor celebrated Goru Bihu traditional way at Lok Bhavan.

## DC beat RCB by 6 wickets



RB News: Delhi Capitals beat the Royal Challengers Bengaluru in a thriller by 6 wickets. David Miller and Tristan Stubbs took their team over the line to take DC into the top 4. KL Rahul starred with the bat for Delhi Capitals, scoring 57 runs in 34 balls. He was well supported by Tristan Stubbs and Axar Patel, who guided their team home. Stubbs scored 60 runs in 47 balls. For RCB, Bhuvneshwar Kumar was the star with the ball, taking 3 early wickets to give RCB a flying start with the ball.Earlier, the Royal Challengers Bengaluru ended up with 175 runs at the end of their innings against the Delhi Capitals.

## SRH beat CSK by 10 runs




RB News: Sunrisers Hyderabad (SRH) defeated Chennai Super Kings (CSK) by a margin of 10 runs in a thrilling match that went down to the wire in Hyderabad on Saturday evening. Batting first, SRH scored 194 for 9 in their allotted 20 overs, courtesy of a brilliant 15-ball half-century by Abhishek Sharma and a steady contribution from Heinrich Klaasen. Abhishek smashed the joint-fastest fifty of IPL 2026, matching Vaibhav Sooryavanshi. Batting second, CSK, which was cruising towards the chase and needed 84 off 60 balls to secure victory, was restricted by Eshan Malinga and Nitish Kumar Reddy, who took five wickets between them.

## GT defeated KKR by 5 wickets



RB News: Gujarat Titans defeated Kolkata Knight Riders by five wickets in their IPL 2026 match at Narendra Modi Stadium in Ahmedabad on Friday. With this, KKR's winless run has extended to six matches in IPL 2026. GT have now won three matches in a row and have jumped to the fourth spot on the points table.

## Badminton legend Viktor Axelsen retired at 32



RB News: Danish badminton legend Viktor Axelsen has announced his retirement at the age of 32. The two-time Olympic champion and two-time world champion Viktor Axelsen said that he is quitting the sport due to a persistent back injury. "Due to my recurrent back issues, I am no longer able to compete and train at the highest level," he posted on Instagram. "Accepting this situation has been incredibly difficult. But I have now reached a point where my body won't allow me to continue."

## MI lose 4th match in a row



RB News: Punjab Kings have beaten Mumbai Indians by 7 wickets at the Wankhede Stadium on Thursday, April 16. MI have now lost four matches in a row, while PBKS, with their fourth win, have jumped to the top of IPL 2026 points table. After Mumbai Indians posted a competitive 195/6, Prabhsimran (80 off 39 balls) and Iyer (66 off 35 balls) led a commanding chase, helping Punjab Kings reach 198/3 in just 16.3 overs. The target of 196 was achieved with 21 balls to spare, sealing a dominant win. Arshdeep Singh won Player of the Match award for taking three wickets in the match.

## Muzarabani banned from PSL for 2 years for joining KKR



RB News: Zimbabwe pacer Blessing Muzarabani has been banned from the next two PSL editions by PCB for withdrawing his Islamabad United contract to join KKR in IPL 2026. "This decision results from his failure to honor agreed commitments, which undermines the league's professional structure," the PCB said. The Zimbabwe pacer accepted a deal with Islamabad United for PSL 2026 but later pulled out to sign with KKR for IPL 2026.

# নাচনী




**প্ৰভাত বণিয়া**

গৰুম গুৰুম মেঘে গাজিছে
আকাশ ধোৱা বৰণীয়া হ'ল
বৰষুণে ধুৱাব নোৱাব
বহাগৰ আলি পদূলি
উদুলি মুদুলি
আহি পালে আমাৰ বিহু ৰঙালী
চেনেহা চেনেহী হিয়া দিয়া হিয়া নিয়া
সাঁচতীয়া প্ৰেম পিৰিতি
নাই ধনী দুখীয়া জাতি অজাতি
দলদোপ হেন্দোলদোপ হেঁপাহৰ
বিহু তলি
ৰূপহী তুমি নাচনী ওলাই আহা
এপাক নাচো উলাহত
মন ৰঙীন হ'ল
আজি সুৰীয়া দিন
সপোন পূৰণ হ'ব
বিহু বিহু লাগিছে গাত।

অণুগল্প

# মানৱতা



**পৰিস্মিতা বৰা হাজৰিকা, মাজুলী**

শৰ্মাৰ ছোৱালীজনীৰ বিয়াৰ খবৰটো বনজুইৰ দৰে বিয়পি পৰিছে । শৰ্মাৰ দৰে এজন মানুহে কিয় এনে সিদ্ধান্ত ললে সকলো আচৰিত হ'ল । কোনো কোনোৱে শৰ্মাক লৈ বেয়া মন্তব্যও কৰিবলৈ নাপাহৰিলে । নিৰৱে থকা শৰ্মাই উত্তৰত মাথোঁ এযাৰে কৈছিল মোৰ ছোৱালীজনীয়ে যেতিয়া এ মৃত্যুৰ সৈতে যুজি আছিল তেতিয়া কোনো আগবাঢ়ি নাহিল আৰু যেতিয়া সেই লৰাটোৱে তেজ দিছিল মই তাক কোন জাতিৰ সুধাই নাছিলো । এটাই প্ৰাৰ্থনা কৰিছিলোঁ যাতে মোৰ একমাত্ৰ ছোৱালী জনীৰ জীৱন দান দিয়ে আৰু এতিয়া তাৰ সৈতে বিয়াব দিব লওঁতে মই কেনেকৈ তাক প্ৰশ্ন কৰোঁ ? মোৰ বাবে সিয়ে তাইৰ বাবে যোগ্য । এটা মিচিকিয়া হাহিৰে দিয়া প্ৰত্যুত্বৰত সকলো জয় পৰি গ'ল ।

# সংস্কৃতিৰ বাণিজ্যিকীকৰণ আৰু আমাৰ বিহু

**কুঞ্জিল হাজৰিকা**
**যোৰহাট, টীয়ক**



অসমীয়া জাতীয় জীৱনৰ হিয়াৰ আমঠু ব'হাগ বিহু আজি এক জটিল সন্ধিক্ষণত উপনীত হৈছে। তাহানিৰ সেই আন্তৰিকতাৰে ভৰা বিহুটি বৰ্তমান সময়ত ক্ৰমান্বয়ে এক লাভজনক ব্যৱসায়লৈ ৰূপান্তৰিত হোৱা পৰিলক্ষিত হৈছে। বিশেষকৈ একাংশ হুঁচৰি দলৰ কাৰ্যকলাপত দেখা পোৱা অৰ্থকেন্দ্ৰিক মনোভাৱে সমাজৰ সচেতন মহলক চিন্তিত কৰি তুলিছে।

বৰ্তমান সময়ত বিহু অহাৰ বহু পূৰ্বেই আঢ্যৱন্ত পৰিয়ালসমূহক জাননী দি শৰাইত মোটা অংকৰ ধন দাবী কৰাটো এক নিয়মৰ দৰে হৈ পৰিছে। এই সমগ্ৰ প্ৰক্ৰিয়াটোত লোক-সংস্কৃতিৰ নিভাঁজ ৰূপটোতকৈ পেছাদাৰীত্বই অধিক গুৰুত্ব লাভ কৰিছে। ঢুলীয়া, পেঁপা বাদক বা নাচনীসকলে এতিয়া সামাজিক দায়বদ্ধতাৰ সলনি নিৰ্ধাৰিত পাৰিশ্ৰমিকৰ বিনিময়তহে বিহু পৰিৱেশন কৰে। চোতালত আশীৰ্বাদ দিয়াৰ পৰম্পৰাতকৈ উপাৰ্জনৰ চিন্তাইহে ইয়াত অগ্ৰাধিকাৰ পোৱা দেখা যায়।

এই অৰ্থসৰ্বস্ব মানসিকতাৰ ফলত বিহু এতিয়া কেৱল চহকী লোকৰ চোতালতে আৱদ্ধ হৈ পৰিছে, যিয়ে সামাজিক বৈষম্য বৃদ্ধি কৰিছে। যন্ত্ৰচালিত বাহন আৰু আধুনিক শব্দযন্ত্ৰৰ সহায়ত কেৱল নিৰ্বাচিত ঘৰলৈ গৈ বিহু প্ৰদৰ্শন কৰা কাৰ্যই আমাৰ বাপতিসাহোন বিহুটিৰ প্ৰকৃত উদ্দেশ্যক ম্লান কৰিছে।

অৱশ্যে ইয়াৰ মাজতো বহুতো দলে আজিও সমাজৰ মংগলৰ বাবে পৰম্পৰা ৰক্ষা কৰিছে। কিন্তু বিহুৰ নামত চলি থকা এই বৰ্ধিত বাণিজ্যিকীকৰণৰ বিৰুদ্ধে সমাজ সজাগ হোৱাৰ সময় আহি পৰিছে। আমাৰ জাতীয় সংস্কৃতিৰ পৱিত্ৰতা ৰক্ষা কৰিবলৈ প্ৰতিজন অসমীয়াই সচেতন হোৱাটো একান্তই প্ৰয়োজনীয়।

# Is it Destiny...?



**নাচিমা য়াচমিন, বিশ্বনাথ চাৰিআলি**

ঘাই পথৰ নেৰা -নেপেৰা যান -বাহনৰ সোঁত। অহাই আহিছে যোৱাবিলাক গৈছে। এই অৱস্থাত আটাইতকৈ বেছি অসুবিধা পোৱা সকল হৈছে খোজ কাঢ়ি যোৱাসকল। এনে সময়ত ৰাস্তা পাৰ হোৱাটো আটাইতকৈ কঠিন কাম।

ৰাগিনিয়ে প্ৰায় দহ মিনিট ধৰি চেষ্টা কৰি আছে ৰাস্তাৰ আনটো মূৰত যাবলৈ। কিন্তু তাইৰ আগৰে দুৰ্বলতা -তাই ৰাস্তা পাৰ হ'বলৈ বৰ ভয় কৰে। সমুখৰ পৰা হাই স্পিডত অহা গাড়ী -মটৰজাক চকুত পৰিলেই যেন তাইৰ গা- মূৰ ঘূৰি যায়।

কান্ধত থকা বেগটো অলপ টানকৈ ধৰি তাই সমুখত আহি আমনি কৰা চুলিবিলাক আঁতৰাই পঠিয়ালে। হাতঘড়ীলৈ এবাৰ চকু ফুৰাই তাই আগতকৈ বেছি নাৰ্ভাচ হৈ পৰে। চকুৰ চচমাযোৰ এহাতেৰে নাকৰ ওপৰৰ পৰা অলপ ঠেলি উঠাই ভগৱানৰ নাম লৈ ৰাস্তা ক্ৰছ কৰিবলৈ চেষ্টা কৰে।

পাৰ হ'ব লওঁতেই গাড়ী এখনে আহি তাইক বাধা দিলে। তাই আকৌ এবাৰ বিফল হৈ পিছুৱাই আহে। এইবাৰ অন্য এক সমস্যাই আহি তাইৰ মূৰৰ ওপৰত বাস সাজিলে যেন। তাইৰ পিন্ধনত থকা ফ্লেট চেন্দেলযোৰৰ ফিটা এডাল চিঙি থাকিল।

চব সমস্যা আজিয়েই আহিব পালে বুলি তাইৰ চকুযোৰ সেমেকা হৈ পৰে। বাৰিষাজাক নামো নামো অৱস্থা।

চেন্দেলৰ এপাত হাতত লৈ চকুযোৰ বন্ধ কৰি তাই মহানগৰীৰ ব্যস্ততাপূৰ্ণ ৰাস্তাটি পাৰ হ'বলৈ ধৰে। মূহুৰ্ততে ধুমুহা গতিত কোনোবা দিশৰ পৰা হাত এখন আহি তাইৰ হাতত স্পৰ্শ কৰিলে। তাইৰ বন্ধ চকুৱে অনুভৱ কৰিলে এটি পুৰণি চিনাকি সুবাস। হাতৰ স্পৰ্শই তাইক উৰুৱাই লৈ যায় চাৰি বছৰ আগৰ অতীতলৈ।

চকু মেলাৰ সাহস হোৱা নাই তাইৰ। লগতে হাতখন এৰুৱাই নিবলৈও ইচ্ছা জগা নাই। এই স্পৰ্শই তাইক শান্তি দিয়ে। শক্তি দিয়ে প্ৰতিটো কঠিন পৰিস্থিতিত। ৰাস্তাৰ আনটো মূৰ পোৱাত তাই নিজৰ চকু মেলিলে। তাইৰ মনে ঠিকেই চিনি পায় এই সুবাস, যি কেতিয়াও ভুল হ'ব নোৱাৰে।

:" আজিও চকু বন্ধ কৰি ৰাস্তা ক্ৰচ কৰা?"

অনুৰাগ - তাইৰ নিচেই কাষত থিয় হৈ আছে অনুৰাগ। তাইৰ অনুৰাগ।

:" তোমাক কেলেই লাগে?"- চচমা ঠিক কৰি তাই কলে।

:" উফ, সেই একেই নাকত উলমি থকা খংখিনি? তুমি অলপো সলনি হোৱা নাই।"

:" হুম, সলনি হোৱা মোৰ স্বভাৱ নহয়। কিন্তু কিছুমান মানুহ আছে, সময়ত ৰং সলনি কৰে।"

:" এইবোৰ বাদ দিয়া, তুমি ইয়াত?"

আগলৈ...

ৰঙিলী বাৰ্ত্তা কৰ্ত্তৃক ড°উদ্দীপ্ত নয়ন মেধিৰ দ্বাৰা প্ৰকাশিত, প্ৰচাৰিত আৰু ফটাশিল মানপাৰা গুৱাহাটী-25ৰ মেধি এণ্টাৰপ্ৰাইজত মুদ্ৰিত। ফোন ঃ 9854215286
প্ৰতিষ্ঠাপক সম্পাদক ঃমহেশ চন্দ্ৰ মেধি মূখ্য-সম্পাদক ঃ ড°উদ্দীপ্ত নয়ন মেধি সহঃসম্পাদিকাঃ-স্বাগতা বৰুৱা গোস্বামী সহঃ সম্পাদিকাঃ অদিতি দত্ত লহকৰ
Founder Editor - Mahesh Ch. Medhi Ph. 99570-45203 EDITOR-IN-CHIEF :- Dr. UDDIPTA NAYAN MEDHI Ph.98542-15286